# “ভূপেন হাজৰিকাৰ গীত: এটি বিশ্লেষনাত্মক অধ্যয়ন”

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ বিশ্ববিদ্যালয় গুৱাহাটী চৌহদৰ পৰিৱেশ্য কলা, সংগীত বিভাগৰ

স্নাতকোত্তৰ মহলাৰ চতুৰ্থ ষাম্মাসিকৰ অন্তৰ্গত ৪০১ নং কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ

গৱেষণা গ্ৰন্থ


**প্ৰস্তুতকৰ্তা**

স্মৃতি দাস

ৰোল নং: MA-PA- 17/23

স্নাতকোত্তৰ চতুৰ্থ যাম্মাসিক

পৰিৱেশ্য কলা বিভাগ,সংগীত শাখা

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ বিশ্ববিদ্যালয়

গুৱাহাটী চৌহদ

**তত্বাৱধায়ক**

গৌতম শইকীয়া

সহকাৰী অধ্যাপক, সংগীত শাখা

পৰিৱেশ্য কলা বিভাগ

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ বিশ্ববিদ্যালয়

গুৱাহাটী চৌহদ


২০২৩-২০২৫

# কৃতজ্ঞতা স্বীকাৰ

মোৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনৰ সমগ্ৰ সময়ছোৱাত মোক সহায় আৰু পথ প্ৰদৰ্শন কৰা সকলোকে মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এতিয়া গোটেই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনতে মোৰ পথ প্ৰদৰ্শক, মোৰ গৱেষণা কৰ্মৰ তত্বাৱধায়ক গৌতম শইকীয়া ছাৰৰ অদম্য সমৰ্থন, বিভিন্ন দিশৰ জৰিয়তে কৰা সহায় আৰু পথ প্ৰদৰ্শনৰ বাবে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ আন্তৰিক প্ৰশংসা মোৰ সৰু পৰিয়ালটি বিশেষকৈ মোৰ,দেউতা (তৰুণ চন্দ্ৰ দাস), যিয়ে মোক শৈশৱতে ভূপেন হাজৰিকা নামটিৰ সৈতে পৰিচয় কৰাই দিছিল, লগতে মোৰ মা (মালা দাস) ৰ অপাৰ ধৈৰ্য্য, মৰম আৰু উৎসাহে এই সমগ্ৰ শৈক্ষিক সাধনাৰ সময়ছোৱাত মোৰ প্ৰৱল শক্তি হৈ আহিছে। লগতে মোৰ সহপাঠী, বন্ধু-বান্ধৱী সকলৰ ওচৰতো চিৰকৃতজ্ঞ। তেওঁলোকৰ অদম্য সমৰ্থন, গঠনমূলক সমালোচনা আৰু এই যাত্ৰাক স্মৰণীয় কৰি তোলাৰ বাবে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় গুৱাহাটী শাখাৰ পৰিৱেশ্য কলা বিভাগৰ শিক্ষাগুৰু সকলক তেওঁলোকৰ অহৰহ সহযোগিতা আৰু এক উদ্দীপক শৈক্ষিক পৰিৱেশ প্ৰদানৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আপোনালোক সকলোৰে অৱদান আৰু সহায়ৰ বাবে হিয়াৰ গভীৰ মণিকূটৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইতি

স্মৃতি দাস

# ঘোষণাপত্ৰ

এই পত্ৰৰ দ্বাৰা জনাওঁ যে *"ভূপেন হাজৰিকাৰ গীত : এটি বিশ্লেষণাত্মক অধ্যয়ণ"* শীৰ্ষক ক্ষুদ্ৰ গৱেষণাগ্ৰন্থ খন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ সংগীত শাখাৰ সহকাৰী অধ্যাপক গৌতম শইকীয়া ছাৰৰ নিৰিক্ষণত সম্পাদনা কৰিছোঁ। এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন বিশ্ববিদ্যালয়ত অথবা অন্য কোনো বিশ্ববিদ্যালয়ত আন আনুষ্ঠানিক শিক্ষা গ্ৰহণত ব্যৱহাৰ নকৰোঁ বুলি স্বীকাৰ কৰিলোঁ।

**তাৰিখ: ২/০৭/২০২৫**

স্থান: গুৱাহাটী

**স্মৃতি দাস**

পৰিৱেশ্য কলা বিভাগ, সংগীত শাখা

ৰোল নং: ১৭/২৩

কাকত নং -৪০১

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

গুৱাহাটী শাখা

# <u>সূচীপত্ৰ</u>

**১.০০ : প্ৰথম অধ্যায়**

১.০১ : বিষয়ৰ পৰিচয়

১.০২ : বিষয়ৰ উদ্দেশ্যে

১.০৩ : বিষয়ৰ পৰিসৰ

১.০৪ : বিষয়ৰ সমস্যা

১.০৫ : বিষয়ৰ প্ৰয়োজনীয়তা

১.০৬ : পুৰ্বকৃত অধ্যয়ন

১.০৭ : বিষয়ৰ পদ্ধতি

১.০৮ : বিষয়ৰ উৎস

১.০৯ : বিষয়ৰ প্ৰশ্নাৱলী

**২.০০ : দ্বিতীয় অধ্যায়**

২.০১ : ভূপেন হাজৰিকাৰ চমু জীৱনপঞ্জী

২.০২ : সাংগীতিক কৃতিত্ব

২.০৩ : ছবি পৰিচালক হিচাপে ভূপেন হাজৰিকা

২.০৪ : বঁটা আৰু স্বীকৃতি

**৩.০০ : তৃতীয় অধ্যায়**

৩.০১ : ভূপেন হাজৰিকাৰ গীতত জাতীয়তাবাদ আৰু বিশ্বজনীনতা

৩.০২ : জাতীয় প্ৰেমৰ গীত

৩.০৩ : মানৱ প্ৰেমৰ গীত

৩.০৪ : সাময়িক প্ৰসংগৰ গীত

৩.০৫ : কথাছবিৰ গীত

**৪.০০ : চতুৰ্থ অধ্যায়**

৪.০১ : ভূপেন হাজৰিকাৰ গীতত লোক সংগীতৰ প্ৰভাৱ

৪.০২ : ভূপেন হাজৰিকাৰ গীতত শাস্ত্ৰীয় সংগীতৰ প্ৰভাৱ

৪.০৩ : ভূপেন হাজৰিকাৰ গীতত পশ্চিমীয়া সংগীতৰ প্ৰভাৱ

**৫.০০ : পঞ্চম অধ্যায়**

৫.০১ : সামৰণি

৫.০২ : গৱেষণা কৃত কৰ্ম ফল

**পৰিশিষ্ট**

- আলোকচিত্ৰ
- গ্ৰন্থপঞ্জী

# ১.০০ : প্ৰথম অধ্যায়

## ১.০১: বিষয়ৰ পৰিচয় :-

সঙ্গীত হৈছে গীত নৃত্য বাদ্যৰ সমাহাৰ অৰ্থাৎ গীত, নৃত্য, বাদ্যৰ এই তিনিও কলাৰ সমাহাৰেই হৈছে সঙ্গীত। সংগীত ৰত্নাকৰ গ্ৰন্থত সাৰংগ দেৱে এটি শ্লোকৰ ব্যৱহাৰ কৰিছে। শ্লোকটি হৈছে "গীতং বাদ্যং নৃত্যং সঙ্গীতমূৰ্চ্চাতে"[1]।

"সংগীত ৰত্নাকৰ" ৰ মতে সংগীতক দুটা ভাগত বিভক্ত কৰা হৈছে - মাৰ্গীয় আৰু দেশীয় সংগীত । যিবিলাক সংগীত মাৰ্গ দৰ্শন অথবা ঈশ্বৰ উপাসনা বা ঈশ্বৰক পূজা অৰ্চনা কৰিবলৈ গোৱা হৈছিল, তেনেধৰণৰ সংগীতক 'মাৰ্গীয় সঙ্গীত' আখ্যা দিয়া হয়। আনহাতে, যিবিলাক সংগীত জনসাধাৰণৰ মুখ বাগৰি আহি মনোৰঞ্জনৰ হেতুকে পৰিস্থিতিৰ লগত খাপ খুৱাই যিবোৰ সংগীত লিখি গোৱা হয়, সেইবিলাকক 'দেশীয় সংগীত' আখ্যা দিয়া হয়।

অতীজতে অসমত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ চৰ্চা আছিল যদিও আনুমানিক ষোল্ল শতিকাৰ পিছত অসমৰ সংস্কৃতি বিভিন্ন কাৰণত আৰ্য্য ভাৰতৰ পৰা বিছিন্ন হৈ পৰে, যদিও কুৰি শতিকাত ভাৰতীয় ৰাগ সংগীতৰ চৰ্চা অসমত পুনৰ আৰম্ভ হয়। অসমত শঙ্কৰ - মাধৱৰ বৈষ্ণৱ সংস্কৃতিও পশ্চিমত চৈতন্য পন্থীৰ উদ্ভৱ হোৱাৰ পৰবৰ্তী সময়তহে গঢ় লৈ উঠে।

"ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ" শীৰ্ষক গ্ৰন্থখনিত উল্লেখ থকা মতে,

"ইংৰাজে দেশ লোৱাৰ পিছত আমেৰিকান মিছনেৰী সকলে অসমত অৰ্গেন, পিয়ানো, বেহেলা আদিৰ লগত সংগত কৰি ইংৰাজী সুৰত অসমীয়া প্ৰাৰ্থনা গীত ৰচনা কৰে। এই গীত বিলাকৰ প্ৰৱৰ্তক মাইনচ ব্ৰনছন আৰু ব্ৰাউন। তেওঁলোকৰ অনুপ্ৰেৰণাত কান্দুৰা স্মিথ আৰু নিধি লেভি ফাৰৱেলেও ইংৰাজী সুৰৰ

---

[1] সাৰংগদেৱ, সংগীত ৰত্নাকৰ ।

অসমীয়া প্ৰাৰ্থনা গীত ৰচনা কৰে। ইয়েই অসমীয়া গীত মাতত ইংৰাজী বাজনা প্ৰবৰ্তনৰ পথ মুকলি কৰি দিয়ে।"[2]

পৰবৰ্তী সময়ত, জ্যোতিপ্ৰসাদ আগৰালাৰদেৱে তেঁওৰ সৃষ্টিৰাজিৰ জৰিয়তে অৰ্থাৎ অসমৰ থলুৱা গীত মাত যেনে - বিয়ানাম, বৰগীত, লোকগীত আদি সুৰৰ সমন্বয়ত আধুনিক অসমীয়া গীতৰ জন্ম দিয়ে। ইংৰাজী অৰ্কেষ্ট্ৰাত অসমীয়া সুৰ তোলাও জ্যোতিপ্ৰসাদেই পথ প্ৰদৰ্শক। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰাসাদ ৰাভা, আনন্দিৰাম দাস, পাৰ্বতি প্ৰসাদ বৰুৱা আদি আধুনিক অসমীয়া সংগীতৰ সমসাময়িক যুগৰ একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক তথা সমাজ- সংস্কাৰক। ভূপেন হাজৰিকা আছিল এওঁলোকৰ পিছৰ।

ভূপেন হাজৰিকাৰ কণ্ঠস্বৰ প্ৰত্যেক অসমীয়াই চিনি পায়। আজি প্ৰায় চকুৰি বছৰৰো অধিক কাল অসমৰ আকাশে বতাহে এনে গীতৰ ঢৌ তুলি আহিছে যে তেওঁক চিনি পোৱা মানুহ হয়তো নাই বুলিয়েই কব পাৰি। শিশুৰ পৰা বৃদ্ধলৈকে সকলো লোকৰে হৃদয় তেঁওৰ গীতে চুইছে। ভূপেন হাজৰিকাৰ সমূহক ঐতিহাসিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে, তেখেতৰ গীতসমূহৰ মাজত সমাজ, সংস্কৃতি, ৰাজনৈতিক আৰু ইতিহাসৰ গভীৰ ছাঁ দেখিবলৈ পোৱা যায়। তেঁওৰ গীত সমূহ কেৱল বিনোদনৰ মাধ্যম নহয়, বৰং ই জনজীৱনৰ দুৰ্বলতা, জাতীয়তাবাদ আৰু বিশ্বজনীনতাবাদ আদি বিষয় সমূহ সামৰি লোৱা হয়।

## ১.০২ : উদ্দেশ্য:-

অসমৰ আটাইতকৈ শক্তিশালী কণ্ঠ কিংবদন্তি সংগীত শিল্পী ভূপেন হাজৰিকা,অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াইছিল। তেঁওৰ দশক দশক ধৰি সৃষ্টিশীল প্ৰচেষ্টাই অসমীয়া সংগীতক বিশ্বৰ পৰিবেশত স্থান দিছিল। সংগীতক সামাজিক

---

[2] হাজৰিকা, ড০ভূপেন, "ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ"১৯৯০, সম্পা: ড০ দিলীপ কুমাৰ দত্ত, প্ৰকাশক : শ্ৰী অৰুণ পুৰকায়স্থ, পৃ : ১৬।

পৰিবৰ্তনৰ আহিলা হিচাপে ব্যবহাৰ কৰাৰ তেঁওৰ অবিৰত প্ৰচেষ্টাই প্ৰস্তাৱ দিছিল। তলত কেইটিমান প্ৰশ্নৰ উত্তৰ বিচাৰি এই বিষয়টিৰ বাছনি কৰা হৈছে।

- অসমীয়া আধুনিক সমাজত হাজৰিকাদেৰৰ সৃষ্টিৰজিৰ চৰ্চা ।
- হাজৰিকাদেৰৰ গীতত লোকসংগীত, শাস্ত্ৰীয় সংগীত, পশ্চিমীয়া সংগীতৰ সংমিশ্ৰণ।
- সামাজিক ৰাজনৈতিক পটত ইয়াৰ গুৰুত্ব।

## ১.০৩:পৰিসৰ:-

হাজৰিকাৰ গীতসমূহ অসমৰ লগতে উত্তৰ - পূব ভাৰতৰ লোকসঙ্গীত আৰু লোক উপাদানৰ বিশাল ভঁৰাল।  সাতভনী সংস্কৃতিৰ এক উমৈহতীয়া ইতিহাস ভাগ কৰি বৃহত্তৰ ভূমিক সামৰি লৈছিল অসমে। এইদৰে চহকী আৰু বহুৰঙী পৰম্পৰাগত সংস্কৃতিৰ এক ছবি সমগ্ৰ ভূপেন হাজৰিকাৰ গীতত পৰ্যবেক্ষণ কৰা হয়। বিষয়টিত হাজৰিকাৰ গীতত অসমীয়া জাতীয় চেতনা, সামাজিক - ৰাজনৈতিক দিশ, মানৱপ্ৰেম, প্ৰকৃতিপ্ৰেম, সম্প্ৰয়িকতাবাদ আদি দিশসমূহ সাঙুৰি লোৱা হৈছে।

## ১.০৪: সমস্যা :-

- আধুনিক প্ৰজন্মৰ অৱহেলা।
- গীতসমূহৰ অপব্যৱহাৰ আৰু বিকৃতি।
- সংৰক্ষণৰ অভাৱ।
- সঠিক মঞ্চৰ অভাৱ।

## ১.০৫: প্ৰয়োজনীয়তা :-

হাজৰিকাদেৰৰ গীতসমূহ কেৱল সংগীত নহয়, ই এক সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক আন্দোলনৰ অংগ। তেখেতৰ গীতসমূহৰ কথাত আছে বিভিন্ন দিশৰ একো

একোটা কাহিনী। বৰ্তমান সময়ত দেখিবলৈ পোৱা বিভিন্ন কাৰণত হাজৰিকাদেৱৰ গীতখিনি যিদৰে চৰ্চা হব লাগিছিল, সেইদৰে চৰ্চা হোৱাত যেন হোৱাত যেন কিছু বাধা আহি পৰা পৰিলক্ষিত হৈছে, ফলত ইয়াৰ অপব্যৱহাৰ লগতে সুৰৰ কিছু বিকৃতি হোৱা দেখা পোৱা গৈছে। সেইবাবে তেখেতৰ প্ৰত্যেকটো গীত স্বৰলিপিবদ্ধ হোৱাটো বৰ্তমান সময়ত অতি প্ৰয়োজন হৈ পৰিছে। হাজৰিকাদেৱৰ গীতসমূহে অসমীয়াৰ জীৱন-সংস্কৃতি, নদ-নদী, মৰম আৰু বেদনা জীয়াই ৰাখিছে। এই গীতবোৰৰ আলোচনাৰ জৰিয়তে নতুন প্ৰজন্মলৈ এই সাংস্কৃতিক ঐতিহ্য আগবঢ়াব পাৰি।

## ১.০৬: পূৰ্বকৃত অধ্যয়ন:-

- দত্ত, দিলীপ কুমাৰ "ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ" (১৯৯০), গ্ৰন্থখন হৈছে ভূপেন হাজৰিকা আৰু তেঁওৰ গীতৰ ওপৰত গুৰুত্ব সহকাৰে আলোচনা আগবঢ়োৱা এই ধৰণৰ প্ৰথমখন গ্ৰন্থ। বিশ্লেষণৰ উদ্দেশ্যে লেখকে গীতবোৰক বিভিন্ন ভাগত ভাগ কৰিছে । প্ৰথম অধ্যায়ত অসমীয়া পৰম্পৰাগত লোকসংগীতৰ পৰিচয়ৰ পৰা আৰম্ভ কৰি তাৰ পিছৰ তিনিটা অধ্যায়ত হাজৰিকাৰ গীতৰ বিষয়ে আলোচনা কৰিছে।
- হাজৰিকা,ভূপেন "মই এটি যাযাবৰ" (১৯৯৩),প্ৰতিলিপি আত্মজীৱনী, সূৰ্য্য হাজৰিকাৰ সম্পাদনা, শিল্পীজনৰ জীৱন বুজিবলৈ হাজৰিকাই এগৰাকী প্ৰভাৱশালী সংগী হিচাপে প্ৰমাণিত হয় আৰু কাম কৰে । হাজৰিকাই তেওঁৰ নিজৰ দৃষ্টিভংগীত গীতৰ বিষয় বস্তুৰ পটভূমি বুজিবলৈ সুবিধা কৰি দিছিল । ইয়াৰ উপৰিও তেওঁৰ মতাদৰ্শৰ মাজত সোমাই পৰাত সহায় কৰিছিল।
- "ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ" শীৰ্ষক গ্ৰন্থখন অতি উল্লেখযোগ্য গ্ৰন্থ । গ্ৰন্থখনৰ প্ৰকাশক তৰনী পাঠকে ২০০৯ চনত প্ৰথম

প্ৰকাশ কৰে । গ্ৰন্থখনত ‘কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে’ গীতকে আদি কৰি বিভিন্ন গীতৰ বিশদ আলোচনা কৰা হৈছে ।

## **১.০৭: পদ্ধতি:-**

এই ক্ষুদ্ৰ গৱেষণা ধৰ্মী অধ্যয়ণ মূলতঃ বিশ্লেষণাত্মক। বিষয়টি অধ্যয়নৰ বাবে প্ৰয়োজন সাপেক্ষে তুলনামুলক পদ্ধতিৰো আশ্ৰয় লোৱা হৈছে।

এই অধ্যয়নৰ বিষয় বিশ্লেষণৰ প্ৰয়োজনত ব্যক্তি বিশেষৰ মৌখিক সাক্ষাৎকাৰ ভিত্তিক তথ্যও গ্ৰহণ কৰা হৈছে।

## **১.০৮: উৎস:-**

উক্ত ক্ষুদ্ৰ গবেষণা খনি প্ৰস্তুত কৰোঁতে দুবিধ উৎসৰ সহায় লোৱা হৈছে।

- মুখ্য উৎস
- গৌণ উৎস।

মুখ্য উৎসত বিভিন্নজন অভিজ্ঞ ব্যক্তিৰ সাক্ষাৎকাৰ, ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা হৈছে। দ্বিতীয়তে গৌণ উৎসত বিভিন্ন গ্ৰন্থ, ইণ্টাৰনেট, আদিৰ জৰিয়তে তথ্য সংগ্ৰহ কৰা হৈছে।

এই গৱেষণা ধৰ্মী অধ্যয়ণ মূলতঃ বিশ্লেষণাত্মক। বিষয়টি অধ্যয়নৰ বাবে প্ৰয়োজন সাপেক্ষে তুলনামুলক পদ্ধতিৰো আশ্ৰয় লোৱা হৈছে।

এই অধ্যয়নৰ বিষয় বিশ্লেষণৰ প্ৰয়োজনত ব্যক্তি বিশেষৰ মৌখিক সাক্ষাৎকাৰ ভিত্তিক তথ্যও গ্ৰহণ কৰা হৈছে।

## ১.০৯: প্ৰশ্নাৱলী:-

- ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি বৰ্তমান সময়ত সঠিকৰূপে চৰ্চা হৈছেনে?
- তেঁওৰ গীতত শাস্ত্ৰীয় সংগীত, লোকসংগীত,পশ্চিমীয়া সংগীতৰ কিদৰে সংমিশ্ৰণ ঘটিছে?
- ভূপেন হাজৰিকাৰ গীতত জাতীয়তাবোধ, বিশ্বজনীনতা কিদৰে প্ৰকাশ পাইছে?
- হাজৰিকা দেৱৰ গীতসমূহ সংৰক্ষণৰ ব্যৱস্থা কিদৰে হাতত লোৱা হৈছে?

## ২.০০:- দ্বিতীয় অধ্যায়

## ২.০১: ভূপেন হাজৰিকাৰ চমু জীৱনপঞ্জী:-

ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰ তাৰিখে শদিয়াত । তেঁওৰ পিতৃ নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকা। পিতৃ নীলকান্ত হাজৰিকাই প্ৰবেশিকা পৰীক্ষা পাছ কৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে গুৱাহাটীৰ কটন কলেজত নাম ভৰ্তি কৰিছিল আৰু সেই কলেজৰ পৰাই তেখেতে বি. এ পাছ কৰে । গুৱাহাটীত থাকোতেই ভৰলুমুখৰ ৰতিকান্ত দাসৰ ভাৰা ঘৰত থকা সূত্ৰেই তেঁওৰ জীয়ৰী শান্তিপ্ৰিয়া ৰ লগত চিনাকি হয় আৰু পৰবৰ্তী সময়ত দুয়ো বিবাহ পাশত আবদ্ধ হয় । বি. এ পাছ কৰি নাজিৰাৰ্লৈ উভতাৰ পিছত নীলকান্ত হাজৰিকাই শদিয়াৰ এম. ই স্কুল এখনত চাকৰি পায় । তাতেই ভূপেন হাজৰিকাৰ জন্ম হয়। পিতৃ মাতৃৰ সংস্পৰ্শত শৈক্ষিক আৰু বৌদ্ধিক বাতাবৰণ মাজতে ই হাজৰিকাৰ জীৱনৰ বীজ অংকুৰিত হৈছিল । তেঁওৰ বংশ লতিকা এনেধৰণৰ –

নগা হাজৰিকা

মুক্তাৰাম হাজৰিকা  দণ্ডীৰাম হাজৰিকা  নীলকান্ত হাজৰিকা  গঙ্গাৰাম হাজৰিকা  পদ্মৰাম হাজৰিকা

পত্নী

শান্তিপ্ৰিয়া হাজৰিকা

ভূপেন  অমৰ  প্ৰবীণ  কুইন  নৃপেন  বলেন  কবিতা  ৰুবি  জয়ন্ত সমৰ

পত্নী

প্ৰিয়ম্বদা হাজৰিকা

তেজ হাজৰিকা (পুত্ৰ)

ভূপেন হাজৰিকাৰ শিক্ষা জীৱন অতি বৈচিত্ৰপূৰ্ণ। দেউতাক নীলকান্ত হাজৰিকা শদিয়াৰ পৰা গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুললৈ বদলি হৈ অহাৰ পিছত আত্মজীৱনীত উল্লেখ থকা মতে ১৯৩৩ চনত ছবছৰ বয়সত ভূপেন হাজৰিকাক ভৰলুমুখৰ সোণাৰাম হাইস্কুলৰ তৃতীয় শ্ৰেণীত নামভৰ্তি কৰি দিয়ে । পুনৰ ১৯৩৫ (আত্মজীৱনীত উল্লেখ আছে) চনত নীলকান্ত হাজৰিকা sub inspector of school পদত মকৰল হৈ পৰিয়ালসহ ধুবুৰীলৈ যায় আৰু ধুবুৰীৰ প্ৰাইমেৰী স্কুলত ভূপেনক নামভৰ্তি কৰি দিয়ে । ধুবুৰীত তেওঁলোক প্ৰায় ছমাহমান থাকি ১৯৩৬ চনত নীলকান্ত হাজৰিকাই ACS পাছ কৰি SDC পদ লাভ কৰে আৰু তেজপুৰত নিযুক্তি পাই পৰিয়ালসহ তেজপুৰতেই থাকিবলৈ লয়। সেইসুত্ৰে ভূপেন হাজৰিকা তেজপুৰ চৰকাৰী হাইস্কুলত ষষ্ঠ শ্ৰেণীত ভৰ্তি হয়। তেজপুৰতেই তেওঁৰ সংগীত তথা শিল্পী জীৱন আৰু শৈক্ষিক জীৱনৰ আধাৰশিলা গঢ়ি উঠে । এহাতে অসমীয়া বোলছবি জগতৰ পুৰোধা ব্যক্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰালা, সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ সান্নিধ্য আৰু আনহাতে তেজপুৰ হাইস্কুলৰ শ্ৰেণীকোঠাত শিক্ষাগুৰু হিচাপে পোৱা দণ্ডীনাথ কলিতা, পদ্মনাথ গোহাঞিবৰুৱা, আনন্দৰাম আগৰৱালা আদি সাহিত্যিকসকলৰ সান্নিধ্যই তেঁওৰ শিল্পী আৰু শৈক্ষিক জীৱনটোক নতুন মাত্ৰা প্ৰদান কৰে।

১৯৪২ চনত ভূপেন হাজৰিকাই কটন কলেজৰ পৰা আই.এ পাছ কৰে। সেই সময়ত ভাৰতত স্বাধীনতা আন্দোলনে গা কৰি উঠিছিল লগতে সমগ্ৰ বিশ্বজুৰি দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল। সেইসময়ত তেওঁ বেনাৰসৰ হিন্দু বিশ্ববিদ্যালয়ত স্নাতক মহলাত নামভৰ্তি কৰে। বেনাৰস ত শিক্ষা গ্ৰহণ কৰি থকাৰ সময়ত তেওঁ পণ্ডিত মদন মোহন মালব্য, উপাচাৰ্য ড সৰ্বপল্লী ৰাধকৃষ্ণণ আদি মহান ব্যক্তিসকলৰ সান্নিধ্য লাভ কৰিছিল । হাজৰিকাৰ দৰ্শন বিষয়ত অনাৰ্চ আছিল আৰু ৰাধাকৃষ্ণণনৰ পৰা দৰ্শনৰ শিক্ষা গ্ৰহণ কৰিছিল। ১৯৪৪ চনত ভূপেন হাজৰিকাই ৰাজনীতি বিজ্ঞান বিষয়ৰ লগতে দৰ্শন বিষয়ত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে । পুনৰ তেওঁ একেই বিশ্ববিদ্যালয়তে ৰাজনীতি বিজ্ঞান বিষয়ত এম.এ পাঠ্যক্ৰমত নাম ভৰ্তি কৰে। ভূপেন হাজৰিকাই বেনাৰস ৰ পৰা এম এ পাছ কৰি অসমলৈ ঘূৰি আহি অসমতে কৰ্মজীৱনৰ পাতনি মেলে । বি বৰুৱা কলেজত অধ্যাপকৰ দায়িত্ব লাভ কৰে যদিও ১৯৪৭ চনত সেই কৰ্মক্ষেত্ৰ এৰি আহি তেওঁ ড সূৰ্য্য কুমাৰ ভূঞাৰ আহ্বান ক্ৰমে তেওঁৰেই তত্বাৱধানত Department of antiquarian

and historical studies - ত Research scholar হিচাপে কাম কৰাৰ সুযোগ পাইছিল। অৰশ্যে ড ভূঞাৰ লগত কৰা এই কৰ্মত হাজৰিকাৰ আৰ্থিক দিশটোহে বেছিকৈ জড়িত হৈ আছিল। । কিন্তু সেই পদো তেওঁ অতি কম সময়ৰ ভিতৰতে ত্যাগ কৰে।

পৰবৰ্তীসময়ত ১৯৪৯ চনত অসমৰ মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অনুগ্ৰহত অসম চৰকাৰৰ জলপানি লৈ তেওঁ কলম্বিয়া বিশ্ববিদ্যালয়ত Mass communication বিষয়ত গৱেষণা কৰিবলৈ যায়। এই সন্দৰ্ভত হাজৰিকাই তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছিল–

"দুবছৰৰ কাৰণে ভাৰত আৰু অসম চৰকাৰৰ বৃত্তি লৈ গৈছিলোঁ যদিও তাৰ পাছৰ দুমাহ মই চিকাগো বিশ্ববিদ্যালয়ৰ পৰা ফেল'শ্বিপ পাইছিলোঁ। বিজয়লক্ষ্মী পণ্ডিতে মোক ফেল'শ্বিপটো আৰু ছমাহ বঢ়াই দিছিল। গতিকে মই মুঠতে তিনিবছৰ বৃত্তি পাইছিলোঁ।"[3]

অৰশেষত ১৯৫২ চনত হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা PHD ডিগ্ৰী লাভ কৰে । ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ত গৱেষণাৰত সময়ছোৱাতেই এগৰাকী ভাৰতীয় মহিলাৰ সৈতে চিনাকি হৈছিল। পিছত তেওঁলোকৰ সম্পৰ্কই প্ৰেমৰ সম্পৰ্কলৈ গতি কৰে। ১৯৫০ চনত ভূপেন হাজৰিকা আৰু প্ৰিয়ম্বদা পেটেল দুয়ো বিবাপাশত আবদ্ধ হয়। এই সম্পৰ্কে হাজৰিকাই আত্মজীৱনী "মই এটি যাযাবৰ" ত উল্লেখ কৰিছে যে –

"১৯৫০ চনৰ পহিলা আগষ্টৰ এটা দিনত ভাৰতীয় লৰাসকলে টেপ ৰেকৰ্ডাৰত বিছমিল্লাখানৰ 'সেহনাই' বজালে, বঙালী ছোৱালী বিলাকে 'আল্পনা' আঁকিলে, গুজৰাটী ছোৱালীবিলাকে 'গৰৱা' নাছিলে, এজন ব্ৰাহ্মণ বঙালী অধ্যাপক আছিল, তেওঁ আহি কিছুমান মন্ত্ৰ মাতিলে, সঁচা নে মিছা কব নোৱাৰোঁ। তাৰ পাছত 'চিটি ক'ৰ্ট'লৈ লৈ গৈ ৰেজিষ্টাৰ কৰি আমি দুয়ো স্বামী-স্ত্ৰী হৈ ওলাই আহিলো।"[4]

---

[3] হাজৰিকা, ড$^0$ভূপেন,"মই এটি যাযাবৰ"২০১৩, সম্পা: সূৰ্য্য হাজৰিকা, প্ৰকাশক : এছ এইছ শৈক্ষিক ন্যাস,পৃ:১১৮।

[4] পূৰ্ব উল্লেখিত গ্ৰন্থ,পৃ: ১১১।

ভূপেন হাজৰিকাৰ গবেষণা-কৰ্ম সমাপ্ত নোহোৱা পৰ্যন্ত প্ৰিয়ম বৰোদাৰ মাতৃ গৃহতে স্থায়ীভাৱে থাকিবলৈ লয়। অৱশ্যে সেইখিনি সময়তে ভূপেন প্ৰিয়মৰ মাজলৈ এটি পুত্ৰ সন্তান আহিছিল। পুত্ৰৰ নাম ৰাখিছিল পুন্নাগ বি হাজৰিকা আৰু ঘৰুৱা নাম তেজ।

ভূপেন হাজৰিকাৰ দাম্পত্য জীৱন অতি সুখৰ নাছিল। হাজৰিকাৰ সংসাৰ গতানুগতিকভাবে চলি আছিল যদিও বিভিন্ন কাৰণত তেওঁৰ দাম্পত্য জীৱন অস্থিৰ হৈ পৰিছিল। যাৰ বাবে ১৯৬৩ চনত হাজৰিকাই প্ৰিয়মৰ সৈতে বুজাবুজিৰ মাজেৰে দাম্পত্য পৃথকতাত সন্মতি জনাই পৰস্পৰে আঁতৰি থাকে।

অৱশেষত ২০১১ চনৰ ৫ নবেম্বৰত মুম্বাইস্থিত কোকিলাবেন হাস্পতালত হাজৰিকাই মৃত্যুক আঁকোৱালি লব লগা হয়।

## ২.০২: সাংগীতিক কৃতিত্ব:-

ভূপেন হাজৰিকা এনে এক প্ৰতিভা যি গায়নশৈলীকে আদি কৰি বোলছবি নিৰ্মাতা, সাহিত্য কলা, সংস্কৃতি আদি বিভিন্ন দিশৰ ফালৰ পৰা প্ৰতিভাবান ব্যক্তি। ভূপেন হাজৰিকাৰ জন্ম সংস্কৃতিবান ঘৰত হৈছিল। মাতৃ শান্তিপ্ৰিয়া বৰগীত ৰ শিক্ষয়িত্ৰী আছিল।

১৯৩০ চনৰ ৩০ অক্টোবৰত কটন কলেজিয়েট হাইস্কুলৰ ছাত্ৰসকলৰ বাৰ্ষিক সন্মিলনত শিশু ভূপেন হাজৰিকাৰ গীত শুনি লক্ষ্মীনাথ বেজবৰুৱা মুগ্ধ হৈছিল। বেজবৰুৱাই আত্মজীৱনী "মোৰ জীৱন সোঁৱৰণ"ত এই সন্দৰ্ভত লিখিছিল –

"ছাতৰ সকলৰ সভাত এটি অতি কম বয়সীয়া ল'ৰাই (শিশু বুলিলেই হয়) হাৰমনিয়াম সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে ল'ৰাটিৰ গালত এটি চুমা খালোঁগৈ। তাহানি কলিকতাত 'মাষ্টাৰ মদন' বোলা

তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ। আজি অসমীয়া 'মাষ্টাৰ মদন' ক দেখি বৰ সন্তোষ পালো।"[5]

ভূপেন হাজৰিকা তেজপুৰত থকাৰ সময়ত বিভিন্নজন মহান ব্যক্তিৰ সান্নিধ্য তেখেতে লাভ কৰিছিল। তেখেতসকলৰ সান্নিধ্য হৈছে হাজৰিকাৰ সাংস্কৃতিক জীৱনৰ আশীৰ্বাদস্বৰূপ। তেজপুৰত থাকোতে হাজৰিকাক জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাই এছিয়াৰ সৰ্ববৃহৎ কোম্পানী এইচ.এম্. ভিত 'জয়মতী কুঁৱৰী' আৰু 'শোণিত কুঁৱৰী', পালানাটৰ গীত ৰেকৰ্ডিং কৰোৱাবলৈ কলিকতালৈ লৈ গৈছিল। হাজৰিকাই "মই এটি যাযাবৰ" ত কৈছে –

'জয়মতী কুঁৱৰী', 'শোণিত কুঁৱৰী'ৰ মাইকী মানুহৰ গীতবোৰ মোক গাবলৈ দিছিল । মোৰ মাতটো সৰু আছিল।"[6]

১৯৩৯ চনত 'ইন্দ্ৰমালতী' ত ভলন্টিয়াৰৰ পাৰ্ট দিবলৈ জ্যোতিপ্ৰসাদে ভূপেন হাজৰিকাক পুনৰ কলিকতালৈ লৈ গৈছিল। ভূপেন হাজৰিকাৰ পোন্ধৰ বছৰ বয়সত বিষ্ণুৰাভাই উলিওৱা 'মুক্তিৰ দেউল' গ্ৰন্থখনত 'অগ্নিযুগৰ জিৰিঙতি' গীতটো সংযোজিত কৰিছিল।

পৰবৰ্তী সময়ত হাজৰিকাই গীতৰ সৃষ্টিৰ মাজেৰে অসমীয়া মানুহৰ মন জয় কৰিবলৈ সক্ষম হয়। হাজৰিকাদেৱৰ সংগীত মূলতঃ অসমীয়া লোক-সংগীত, সামাজিক ন্যায়, প্ৰেম, মানৱতাবাদ আৰৱি ৰখা বিষয় বস্তুৰ উপৰত আধাৰিত। ১৯৩৭ চনত ১১ বছৰ বয়সত ভূপেন হাজৰিকাই প্ৰথমটি গীত লিখিছিল। গীতটি আছিল স্তুতিমূলক।

---

[5] বেজবৰুৱা, লক্ষ্মীনাথ, "মোৰ জীৱন সোঁৱৰণ",প্ৰকাশ: ১৯৪৪, বেজবৰুৱা গ্ৰন্থাৱলী (প্ৰথম খণ্ড), পৃ: ১২৯।

[6] পূৰ্ব উল্লেখিত গ্ৰন্থ পৃ : ৩৫।

*"কুসুম্বৰ পুত্ৰ শ্ৰী শঙ্কৰ গুৰুৱে*

*ধৰিছিল নামেৰে টান*

*নামৰে সুৰতে আনন্দত নাচিছিল পৱিত্ৰ বৰদোৱা থান'*

হাজৰিকাৰ এই গীতে তেওঁৰ সামাজিক চেতনা আৰু চিন্তা দৰ্শাইছে । তেখেতে বিচাৰিছিল সমাজক গীতৰ জৰিয়তে উচ্চ আসন দিয়া ।

হাজৰিকাৰ দ্বিতীয়টি গীত 'অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম' তেৰ বছৰ বয়সত ১৯৩৯ চনত ৰচনা কৰিছিল। গীতটি বিদ্ৰোহ আৰু সামাজিক চেতনাৰে পৰিপূৰ্ণ। এই গীতৰ জৰিয়তে হাজৰিকাই নিজক সামাজিক পৰিৱৰ্তনৰ বাবে শক্তিশালী শক্তি ৰূপে সমাজত প্ৰতিষ্ঠা কৰে । হাজৰিকাই অসমীয়া, বাংলা, হিন্দী উভয় ভাষাৰে চলচিত্ৰ পৰিচালক আৰু সংগীত পৰিচালক হিচাপে সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি থৈ গ'ল। তলত হাজৰিকাই সঙ্গীত পৰিচালনা কৰা গীত আৰু বোলছবিৰ নাম উল্লেখ কৰা হ'ল -

| **গীত** | **বোলছবিৰ নাম** |
|---|---|
| অগ্নিযুগৰ ফিৰিঙতি/কঁপি উঠে কিয় তাজমহল | চিৰাজ (১৯৪৮) |
| কাৰ আকাশৰ ৰামধেনু | পাৰঘাট (১৯৪৮) |
| অ' আমি তেজাল গাঁৱলীয়া | বিপ্লৱী (১৯৪৮) |
| গাঁৱৰে জীয়ৰী সপোন সুন্দৰী | পিয়লি ফুকন (১৯৫৫) |
| পলাশৰ ৰং | পলাশৰ ৰং(১৯৭৫) |

ইয়াৰ ওপৰিও ১৯৫৪ চনত সুনীল গংগোপাধ্যায়ৰ ‘সতিবেউলা’ কথাছবিত হাজৰিকাই সঙ্গীত পৰিচালনা কৰিছিল। ভূপেন হাজৰিকাই নিজে পৰিচালনা কৰা ছবি সমূহৰ উপৰিও সৰ্বমুঠ ২৮ খন বোলছবিত সংগীত পৰিচালক হিচাপে কাম কৰিছিল। ফণী শৰ্মা পৰিচালিত সৰ্বমুঠ চাৰিখন বোলছবিৰ আটাইকেইখনৰে সংগীত পৰিচালনা কৰিছিল ভূপেন হাজৰিকাই ।

১৯৫৫ চনত ‘পিয়লি ফুকন’, ১৯৫৭ চনত ‘ধুমুহা’ ১৯৫৯ চনত ‘কেঁচাসোণ’ ১৯৫৯ চনত ‘পুৱতি নিশাৰ সপোন’ আদি বোলছবিৰ সঙ্গীত পৰিচালক আছিল ভূপেন হাজৰিকা।

১৯৬৮ চনত তাৰাছাঁদ বৰজাত্যৰ পৰিচালিত ‘ভাগ্য’ ৰ ( হিন্দী কথাছবি ‘তকদীৰ’ অসমীয়া ৰূপান্তৰ) সংগীত পৰিচালনা কৰি হাজৰিকাদেৱে খ্যাতি অৰ্জন কৰে। আব্দুল মজিদ পৰিচালিত তিনিখন বোলছবি যেনে - ১৯৭৫ চনত ‘চামেলি মেমচাব’, ১৯৭৫ চনত ‘কাঁচঘৰ’, ১৯৭৭ চনত ‘বনহংস’, ১৯৭৮ চনত ‘বনজুই’ আদি বোলছবিৰ সংগীত পৰিচালক হিচাপে কাম কৰে।

ইয়াৰ উপৰিও ১৯৬৩ চনত সৰ্ব্বেশ্বৰ চক্ৰৱৰ্ত্তী পৰিচালিত ‘মণিৰাম দেৱান’, ১৯৭৫ চনত পুলক গগৈৰ দ্বাৰা পৰিচালিত ‘খোজ’, ১৯৮০ চনত গৌৰী বৰ্মন পৰিচালিত ‘অকন’, ১৯৮২ চনত জাহ্নু বৰুৱাৰ ‘অপৰূপা’, ১৯৮৬ চনত হেম বৰাৰ ‘সংকল্প’ আৰু ভবেন দাসৰ ‘মা’, ১৯৮৫ চনত প্ৰবীন বৰাৰ ‘অংগীকাৰ’ ,১৯৮৬ চনত ‘স্বীকাৰোক্তি’, ১৯৮৭ চনত অনিল মিত্ৰৰ ‘প্ৰতিশোধ’ , ১৯৯৪ চনত শিৱপ্ৰসাদ ঠাকুৰৰ ‘অশান্ত প্ৰহৰ’ ১৯৯৫ চনত প্ৰফুল্ল শইকীয়াৰ ‘পানী’, ২০০৪ চনত অঞ্জলি দাস পৰিচালিত ‘সতিৰাধিকা’ ইত্যাদি বোলছবিত সংগীত পৰিচালক হিচাপে সুখ্যাতি অৰ্জন কৰিছিল। হিন্দী বোলছবিৰ কথা উল্লেখ কৰিব গ’লে, হিন্দী চলচ্চিত্ৰ জগতৰ লগত হাজৰিকাদেৱৰ চিনাকি হৈছিল। ১৯৭২ চনত, ‘য়ে গুলিস্তা হামাৰা’ শীৰ্যক হিন্দী চলচ্চিত্ৰ খনিৰ জৰিয়তে। এছ. ডি বৰ্মনে হাজৰিকাক উক্ত বোলছবি খনৰ উপদেষ্টাৰ দায়িত্ব দিছিল। ইয়াৰ সংগীত পৰিচালক আছিল এছ. ডি বৰ্মন।

১৯৭৪ চনত আত্মাৰামে 'আৰোপ' বোলছবিৰ সংগীত পৰিচালিকাৰ দায়িত্ব অৰ্পন কৰিছিল। ইয়াৰ পিছতেই ১৯৭৭ চনত 'মেৰা ধৰম মেৰি মা', ১৯৮৪ চন 'অপেক্ষা' ১৯৮৬ চনত কল্পনা লাজমীৰ 'একপল', ১৯৯২ চনত 'ৰূপালী', ১৯৯৭ চনত 'দৰমিয়াঁ', ১৯৯৭ চনত 'মিল গয়ী মঞ্জিল মুঝে', ২০০০ চনত 'দমন', ২০১১ চনত 'গজদামনী', ২০০৩ চনত 'ক্যু' আদি বোলছবি সমূহত সংগীত পৰিচালক হিচাপে কাম কৰে।

বাংলা চলচিত্ৰ 'অসমাপ্ত', 'কমল', 'জীবন তৃষ্ণা', অমিত সেন পৰিচালিত 'জোনাকীৰ আলোঁ', ১৯৬০ চনত 'দুই বেচাৰা', ১৯৭১ চনত 'এখানো পিঞ্জৰ', ১৯৭৬ চনত 'দম্পতি', ১৯৭৬ চনত আলমগীৰ কবিৰৰ 'সীমানা পেরীয়ে', ১৯৭৭ চনত 'মহুয়া', ১৯৭৯ চনত 'নাগিনী কন্যাৰ কাহিনী', ১৯৮৪ চনত 'কালোসিঁদুৰ', 'চামেলি মেমচাব' (বাংলা ৰূপান্তৰ), 'কোমল গান্ধাৰ', 'বন্ধু', ইত্যাদি বোলছবিৰ জৰিয়তে সংগীত পৰিচালিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

## ২.০৩: ছবি পৰিচালক হিচাপে ভূপেন হাজৰিকা:-

ভূপেন হাজৰিকা কেৱল সংগীতজ্ঞ গীতিকাৰ, গায়কেই নাছিল, তেওঁ এগৰাকী সুদক্ষ চলচিত্ৰ পৰিচালকো আছিল। তেজপুৰত থকাৰ সময়তেই জ্যোতি, বিষ্ণু, ফণী শৰ্মাৰ দৰে মহান ব্যক্তিসকলৰ সান্নিধ্যৰ জৰিয়তে বোলছবি জগতৰ লগত চিনাকি হৈছিল।

হাজৰিকাৰ আত্মজীৱনী 'মই এটি যাযাবৰ' ত উল্লেখ থকা মতে, শিশু ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদৰ দ্বিতীয়খন বোলছবি 'ইন্দ্ৰমালতী' গীত পৰিৱেশন কৰাৰ লগতে এটি সৰু চৰিত্ৰত অভিনয়ো কৰিছিল। তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ১৩ বছৰ। ইয়াৰ পিছত কমলনাৰায়ণ চৌধুৰীৰ 'বদন বৰফুকন' নামে বোলছবিত দ্বিতীয়বাৰৰ বাবে অভিনয় কৰে। পৰবৰ্তী কালত 'চিৰাজ' বোলছবিতো তেওঁ অভিনয় কৰিবলৈ সক্ষম হৈছিল। এইদৰে ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা আৰু ফণী শৰ্মাৰ দৰে মহান ব্যক্তিৰ সৈতে চিনেমা জগতত নিজৰ যাত্ৰা আৰম্ভ কৰে।

শৈশৱৰ পৰা আৰম্ভ হোৱা চিনেমাৰ ভৱিষ্যতে ইয়াক আৰু গুৰুত্ব সহকাৰে আৰু নিষ্ঠাৰে হাজৰিকাই পালন কৰিবলৈ ল'লে। হাজৰিকা দেৱে আত্মজীৱনীত কৈছে –

"যেতিয়া মই ন বছৰ বয়সত আছিলোঁ তেতিয়া মোক শিকিবলৈ বাধ্য কৰা হৈছিল যে ছবিবোৰ যোগাযোগৰ মাধ্যম আৰু বিক্রী কৰিবলগীয়া সামগ্রী নহয়... গতিকে মোৰ যৌৱনত এটা পৰিকল্পনা আছিল যে এই চলচিত্র মাধ্যমটোক শিল্প, সংস্কৃতি আৰু ভাষাৰ পূনৰ্গঠন আৰু নৱজাগৰণৰ বাবে গুৰুত্ব সহকাৰে লোৱা উচিত।"[7]

এই দৃষ্টিভংগী লগত ৰাখি তেওঁ শেষত আঠখন বোলছবি পৰিচালনা কৰিছিল। তেঁওৰ বোলছবি পৰিচালক হিচাপে প্রথম ছবিখন আছিল 'এৰা বাটৰ সুৰ' ।

➢ **এৰা বাটৰ সুৰ (১৯৫৬) :-**

- পৰিচালনা : ভূপেন হাজৰিকা আৰু প্রিয়ম হাজৰিকা ।
- প্রযোজক : বি. পি. ফিল্মছ ।
- কাহিনী আৰু সংগীত পৰিচালনা : ভূপেন হাজৰিকা।
- অভিনেতা : বিজয় শৰ্মা, ইভাআছাউ, ফণী শৰ্মা, বিষ্ণুৰাভা, বলৰাজ সাহানী, অনিল দাস, প্রীতি ধৰা, তাছাদ্দুক উছুফ ।
- গীত : 'জোনাকৰে ৰাতি', 'ৰ'দ পুৱাবৰ কাৰণে', 'সাগৰ সঙ্গমত', 'জনকপুৰৰ জোনাকীয়ে মিছিক মাছাক হাঁহে', 'অ' জীৱন ডিঙা বাই থাকা'।

➢ **মাহুত বন্ধুৰে (১৯৫৮):-**

- প্রযোজক : বি. পি ফিল্মছ।
- পৰিচালনা : ভূপেন হাজৰিকা।
- কাহিনী : অলকেশ বৰুৱা।

---

[7] পূৰ্ব উল্লেখিত গ্ৰন্থ পৃ : ৩৫।

- সংগীত : ভূপেন হাজৰিকা।
- অভিনেতাসমূহ : প্ৰভাত মুখাৰ্জী, অৰূপ বৰুৱা, বিষ্ণুৰাভা, তাহাৰ ৰায়, প্ৰকৃতিশ বৰুৱা।

➢ **শকুন্তলা (১৯৬১):-**

- পৰিচালনা : ভূপেন হাজৰিকা।
- প্ৰযোজক : কাশী প্ৰসাদ বিহানী।
- সংগীত : ভূপেন হাজৰিকা।
- অভিনেতাসমূহ : অমিত বেনাৰ্জী, ফণী শৰ্মা, পৱিত্ৰ বৰকাকতি, ধিৰাজ দাস, ইভা আছাউ, মুনমী ৰাও (বৰ্তমানৰ বিদ্যা ৰাও)।
- অতিথি অভিনেতা : কৃষ্ণ দাস, দেৱলতা চলিহা, খগেন মহন্ত।
- গীত সমূহ : 'প্ৰথম প্ৰহৰ ৰাত্ৰি', 'অলৌগুটি টলৌগুটি কোন ক'ত লটিঘটি' আদি।

➢ **প্ৰতিধ্বনি (১৯৬৪) :-**

- পৰিচালক : ভূপেন হাজৰিকা।
- প্ৰযোজক : কামৰূপ চিত্ৰ ।
- সংগীত : ভূপেন হাজৰিকা।
- অভিনেতাসমূহ : বিষ্ণু ৰাভা, ইভা আছাউ।
- গীতসমূহ : 'হে হে ঢোলে ডগৰে', 'লিয়েং মাকাউ', 'অয় অয় আকাশ শুব' ।

- **<u>লটি - ঘটি (১৯৬৬):-</u>**
    - পৰিচালনা : ভূপেন হাজৰিকা।
    - প্ৰযোজক : কামৰূপ চিত্ৰ।
    - সংগীত : ভূপেন হাজৰিকা।
    - অভিনেতা সমূহ : বিদ্যা ৰাও, বিজয় শঙ্কৰ, কুমুদ পঞ্চনন, তাহাৰ ৰায়, কুলদা ভটাচাৰ্য্য।

- **<u>চিকমিক বিজুলী (১৯৬৯) :-</u>**
    - প্ৰযোজক : তাৰচান্দ বৰজাত্য, ভূপেন হাজৰিকা।
    - পৰিচালনা : ভূপেন হাজৰিকা।
    - সংগীত : ভূপেন হাজৰিকা।
    - কাহিনী/চিত্ৰনাট্য: ভূপেন হাজৰিকা।
    - অভিনেতাসমূহ : যতীন গোস্বামী, ঋতুপৰ্ণ শৰ্মা, ইলা কাকতি, গজনন বৰ্মা, মনমোহন, বিজয় শঙ্কৰ, বিদ্যা ৰাও, কুলদা ভট্টাচাৰ্য্য ইত্যাদি।
    - গীতসমূহ : 'মিলনৰে এই শুভক্ষণ', 'বিজুলীৰ পোহৰ মোৰ নাই', 'শ্বমা থাকিলে জৰুৰ জৰুৰ', 'ঘৰ আমাৰ মাটি হয়' ইত্যাদি।

- **<u>মন প্ৰজাপতি (১৯৭৯) :-</u>**
    - প্ৰযোজক : ডি. জি ফিল্মছ।
    - পৰিচালনা : ভূপেন হাজৰিকা।
    - কাহিনী : নিৰোদ চৌধুৰী।

- অভিনেতা সমূহ : হিৰেন চৌধুৰী, মিনা ৰাজখোৱা, ভৱেশ বৰুৱা, গায়ত্রী দত্ত।
- গীতসমূহ : ‘অ’ অভিমানী বন্ধু’, ‘এই ধুনীয়া লগন’, ‘চেনাই মোৰ অ” ইত্যাদি।

➢ **ছিৰাজ (১৯৮৮):-**

- ছিৰাজ ১৯৮৮ চনত মুক্তি পোৱা এখন অসমীয়া পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰ। এইখন ফণী শৰ্মা আৰু বিষ্ণু প্ৰসাদ ৰাভাই যুটীয়াভাবে পৰিচালনা কৰা ১৯৪৮ ৰ চলচ্চিত্ৰ ছিৰাজৰ পুনঃনিৰ্মিত সংস্কৰণ। ছিৰাজ (১৯৮৮) প্ৰথম অসমীয়া পুনঃনিৰ্মিত (remake) চলচ্চিত্ৰ। ছবিখন পৰিচালনা কৰিছে ভূপেন হাজৰিকাই।
- প্ৰযোজক : আৰ. বি. মেহতা।
- সংগীত : ভূপেন হাজৰিকা।
- অভিনেতা সমূহ : নিপন গোস্বামী, পূৰৱী শৰ্মা, মৃদুলা বৰুৱা, পৰাগ চলিহা আদি।
- গীত সমূহ : ‘কপি উঠে কিয় তাজমহল’, ‘অগ্নিযুগৰ ফিৰিঙতি’ আৰু ‘নবজাবি বীণ বাটৰুৱা’ আদি।

## ২.০৪: বঁটা আৰু স্বীকৃতি:-

- ১৯৬১ চনত হাজৰিকাই নিৰ্মাণ কৰা 'শকুন্তলা' বোলছবিখনে ৰাষ্ট্ৰপতি পদক লাভ কৰে।
- ১৯৬৪ চনত হাজৰিকাই নিৰ্মাণ কৰা 'প্ৰতিধ্বনি' ছবিখনে ৰাষ্ট্ৰপতি পদক লাভ কৰে। লগতে ছবিখনে ফ্ৰান্সৰ আন্ত:ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হৈছিল।
- ১৯৬৬ চনত হাজৰিকাই 'লটিঘটি' প্ৰথম অসমীয়া ব্যংগ চলচিত্ৰখনৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰে।
- ১৯৭৬ চনত আব্দুল মজিদৰ পৰিচালিত 'চামেলি মেমচাব'ৰ সংগীত পৰিচালনাৰ বাবে সৰ্বশ্ৰেষ্ঠ সংগীত পৰিচালকৰ সন্মান লাভ কৰে লগতে এই সংগীতৰ বাবে 'ৰজত কমল বঁটা' লাভ কৰে।
- ১৯৭৮ চনত দুখন অসমীয়া গানৰ বিশেষ ৰেকৰ্ড প্ৰকাশ কৰাৰ উপৰিও তেওঁ 'আমি এক যাযাবৰ' বুলি আঠোটা বঙালী গীতৰ এল পি ৰেকৰ্ড এইছ এম ভি ৰ পৰা এখন এম্বেচাদৰ আৰু এখন সোণৰ ৰেকৰ্ড লাভ কৰে।
- ১৯৭৭ চনত 'পদ্মশ্ৰী' বঁটা লাভ কৰে।
- ১৯৭৮ চনত সীমনা পেৰীয়ে সংগীত পৰিচালনাৰ কাৰণে বাংলাদেশ ফিল্ম ইণ্ডাষ্টীজৰ তৰফৰ পৰা বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালক ৰূপে সন্মানিত হৈছিল।
- 'মহুৱা সুন্দৰী' নাটকৰ শ্ৰেষ্ঠ লোকসঙ্গীত শিল্পী বঁটা।
- ১৯৮৭ চনত অসম চৰকাৰৰ তৰফৰ পৰা 'শ্ৰীমন্ত শঙ্কৰদেৱ' বঁটা লাভ কৰে।
- ১৯৮৭ চনত 'সংগীত নাটক অঁকাডেমী' বঁটা প্ৰদান ।
- ১৯৮৭ চনত 'ইন্দিৰা গান্ধী স্মৃতি' বঁটা লাভ কৰে ।

- ১৯৯৩ চনত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰে।
- ১৯৯৩ চনত ‘দাদা চাহেব ফাল্কে’ বঁটা প্ৰদান।
- ২০০১ চনত ‘পদ্মভূষণ’ বঁটা প্ৰদান।
- ২০০৯ চনত ‘অসম ৰত্ন’ বঁটা প্ৰদান।
- মৰণোত্তৰভাৱে ২০১২ চনত ‘পদ্মবিভূষণ’ আৰু ২০১৯ চনত ‘ভাৰত ৰত্ন’ সন্মানেৰে সন্মানিত হয়।

## ৩.০০: তৃতীয় অধ্যায়

## ৩.০১: ভূপেন হাজৰিকাৰ গীতত জাতীয়তাবোধ আৰু বিশ্বজনীনতা :

জাতীয় চেতনা শব্দটো এনে এটি শব্দ যিয়ে, সাধাৰণতে নিজৰ জাতিৰ প্ৰতি থকা অপৰিসীম প্ৰেম, সন্মান, ত্যাগক সূচায়। জাতীয়তা বোধৰ বাবেই এটা জাতি উৎপত্তিৰ পৰা ভৱিষ্যতলৈ গতিশীল। অসমীয়া মানুহৰ অতীত আৰু বৰ্তমানৰ সকলো বীৰত্বৰ মূলতে আছে জাতীয় চেতনা। অসমীয়া জাতিটোক বৰ্তমানৰ অৱস্থা পোৱাত বহুকেইগৰাকী মহান ব্যক্তিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। ভূপেন হাজৰিকাদেৱৰ গীতৰ জৰিয়তে আধ্যাত্মিকতাবাদ, মানৱতাবাদ, বিপ্লৱী চেতনা, ৰোমাঞ্চ, দেশপ্ৰেম, বিশ্বজনীনতা, সংস্কৃতিৰ খণ্ডিত পৰিঘটনাৰ লগতে শক্তিশালী জাতীয়তাবোধ তেওঁৰ গীতত প্ৰকাশ পায়। ভূপেন হাজৰিকাৰ জাতীয়তা বোধক প্ৰতিফলিত কৰা গীতসমূহক দুটা ভাগত বিভক্ত কৰিব পাৰি।

- ভাৰতকেন্দ্ৰিক।
- অসমকেন্দ্ৰিক।

অসমকেন্দ্ৰিক গীতৰ দৰে ভূপেন হাজৰিকাৰ গীততো ভাৰতীয় প্ৰেক্ষাপটত বিভিন্ন পৰিঘটনা উন্মোচিত হৈছে। যাৰ বাবে ভূপেন হাজৰিকাক কেৱল অসমৰত্ন নহয়, ভাৰতৰত্ন সন্মানেৰেও সন্মানিত কৰা হৈছে। উদাহৰণস্বৰূপে : 'ৰণক্লান্ত নহও সেই মূহুৰ্ত্তলৈ' শীৰ্ষক গীতটি চীন আৰু ভাৰতৰ যুদ্ধৰ সময়ত লিখা হৈছিল। গীতটিৰ জৰিয়তে হাজৰিকাই চীনক প্ৰত্যাহ্বান জনাইছে। এই গীতটিৰ জৰিয়তে হাজৰিকাৰ ৰাষ্ট্ৰপ্ৰেম প্ৰকাশ পাইছে। আন এটি গীত 'শ্বহীদ প্ৰণমো তোমাক' - গীতটিৰ জৰিয়তে দেশৰ বাবে শ্বহীদ হব লগা প্ৰতিজন শ্বহীদক গীতিকাৰজনে শ্ৰদ্ধাঞ্জলি জনাইছে। ১৯৮৪ চনত ৰচনা কৰা 'অ' ভাৰতীৰে পৃথিৱীৰে', 'কত জোৱানৰ মৃত্যু হ'ল' আদি গীতৰ জৰিয়তেও ভাৰতীয় প্ৰেক্ষাপটত জাতীয় চেতনা প্ৰতিফলিত হয় । গীতে এখন সমাজক নেতৃত্ব দিব পাৰে আৰু ভূপেন হাজৰিকাদেৱৰ নাম এই ক্ষেত্ৰত বিশেষভাৱে লব লাগিব।

## ৩.০২ : জাতীয় প্ৰেমৰ গীত:-

ভূপেন হাজৰিকাই গীতেৰে সুৰেৰে শব্দেৰে নিজৰ জাতিটোৰ প্ৰতি জাতীয় ভাষা - সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ কৰি গৈছে। ঐক্য সম্প্ৰীতি ভাতৃত্ববোধেৰে জাতিটোৰ সৰ্বাংগীন উন্নতি কামনা কৰা হাজৰিকাৰ প্ৰায় সংখ্যক গীতেই জাতীয় প্ৰেম ভাৱেৰে উজ্জীৱিত।

ভূপেন হাজৰিকাই অসমখনক প্ৰাণ ভৰি ভাল পাইছিল। অসমৰ প্ৰতি প্ৰেম, অসমৰ প্ৰতি থকা সন্মান,অসমৰ সংস্কৃতি, প্ৰাকৃতিক পৰিৱেশ, গছ-লতা , মাটি-পানী সেউজ পৰিৱেশ আছিল তেওঁৰ জীৱন। সেয়েহে, "অসম আমাৰ ৰূপহী" শীৰ্ষক গীতটিত হাজৰিকাই উল্লেখ কৰিছে -

*"গোটেই জীৱন বিছাৰিলেও, অলেখ দিৱস ৰাতি*

*অসম দেশৰ দৰে নাপাওঁ ইমান ৰসাল মাটি*

*অ' চিৰবিনন্দীয়া তোমাৰ সেউজ পৰিৱেশ*

*ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।"*

তলত হাজৰিকাৰ জাতীয় প্ৰেমৰ প্ৰকাশ পোৱা দুটি গীতৰ উল্লেখ কৰা হৈছে:

**(১) আমি অসমীয়া নহও দুখীয়া**

কথা: সাহিত্য সম্ৰাট লক্ষ্মীনাথ বেজবৰুৱাদেৰে কৈছিল

"আমি অসমীয়া নহও দুখীয়া

কিহৰ দুখীয়া হ'ম?"

আমি অসমীয়া নহওঁ দুখীয়া

বুলি সান্ত্বনা লভিলে নহ'ব,

আজিৰ অসমীয়াই নিজক নিচিনিলে

অসম ৰসাতলে যাব,

নানা জাতি-উপজাতি

ৰহনীয়া কৃষ্টি,

আকোৱালি লৈ হৈছিল সৃষ্টি

এই মোৰ অসম দেশ,

বিভেদ পৰি হৰি

নিজহাতে শ্ৰম কৰি

দেশক নগঢ়িলে

এই দেশ হ'ব নি:শেষ,

আৰু মনবোৰো ভাগি-ছিগি যাব

আজিৰ অসমীয়াই নিজক নবছালে

অসমতে মগনীয়া হ'ব,

প্ৰতি অসমীয়াই কি কৰা উচিত

উপদেশ দিবলৈ নাই লাচিত,

ডাঙৰ নহয় দেশতকৈও মোৰ

দুৰ্বলচিতীয়া মোমাইবোৰ,

বোলা হেংদানধাৰী

লাচিত নেথাকিলেও

আগুৰাই যাবই লাগিব,

অ’ নহ’লে অসমীয়াই অসমৰ মাটিতে

নিজেই ভগনীয়া হ’ব.........

সংগীত হৈছে জনজাগৰণৰ শক্তিশালী আহিলা। ওপৰত উল্লেখিত গীতটিৰ মূল ভাৱনা হৈছে অসমীয়া জাতিৰ আত্মসন্মান, গৰিমা আৰু একতাৰ আহ্বান। গীতটিৰ জৰিয়তে কবিয়ে কৈছে, আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্তনা লভিলে নহ’ব। গীতটিৰ জৰিয়তে অসমীয়া সাহস, সংস্কৃতি, ইতিহাস আৰু অসমীয়া ভাষাৰ গৰিমা প্ৰকাশ পায়। জাতি ধৰ্ম ভাষাৰ পাৰ্থক্য নোহোৱাকৈ সকলোকে অসমীয়া হিচাপে একতাৰ বাবে আহ্বান জনায়।

**(২) জোনাকৰে ৰাতি অসমীৰে মাটি**

জোনাকৰে ৰাতি অসমীৰে মাটি

জিলিকি জিলিকি পৰে

মলয়াৰ এছাটি দুহাতে সাবটি

ধুনীয়া মালতী সৰে ।

এইখন দেশ মোৰ তেনেই আপোন

নিতে নিতে আনে

নতুন সপোন

আমাৰ গাঁৱৰ সৰু জুৰিটিত

তৰাই ধেমালি কৰে ।

আশাৰ চাকি জ্বলে দুখীয়াৰ ঘৰে ঘৰে,

তাকে দেখি এন্ধাৰবোৰে

আমাৰ গাঁও এৰে ।

আমাৰ দেশৰ বোৱঁতী সুঁতিক

বাধা দিব কোনে পাৰে ?

আগলতি কলাপাত লৰে-চৰে

মনৰ পখিটি মোৰ উৰে উৰে

কোন চিফুঙৰ সুৰে সুৰে ।

১৯৫৬ চনত হাজৰিকাদেৱে তেওঁৰ চিত্ৰনাট্য আৰু কাহিনীৰে প্ৰথমখন কথাছবি “এৰা বাটৰ সুৰ” উলিয়ায়। “এৰা বাটৰ সুৰ”ৰ কাহিনী তেওঁৰেই বিগত জীৱনৰ কাহিনী বুলি হাজৰিকাদেৱে আত্মজীৱনীত উল্লেখ কৰিছে।

“জোনাকৰে ৰাতি” গীতটি গাবলৈ তেওঁ অনুৰোধ কৰে কোকিলকণ্ঠী লতা মংগেশকাৰক। তেঁওৰ কণ্ঠতেই ধ্বনিত হয় এই চিৰসেউজীয়া গীতটি ।

গীতটিত প্ৰস্ফুলিত হৈছে অসমৰ গাঁৱৰ সহজ সৰল সাধাৰণ লোকৰ জীৱন। গীতটিৰ মাজেৰে গীতিকাৰ ৰ সামাজিক বোধগম্যতা আৰু মানৱ প্ৰেম উজ্বলি উঠিছে। বোঁৱতী সুতিক কোনেও বাধা দি ৰাখিব নোৱাৰে। বাধা ভাঙি কয়, আমাৰে গাঁৱৰে সৰু জুৰিটিত তৰাই ধেমালি কৰে, এনেধৰণৰ কথাৰ জৰিয়তে কবিয়ে অসমখনৰ গাঁৱৰ প্ৰতিচ্ছবি ফুটাই তুলিবলৈ চেষ্টা কৰিছে। গীতিকাৰ হাজৰিকাদেৱে জোনাক সৰা ৰূপালী, অসমৰ মাটি, মলয়াৰ পৰশত সৰা মালতী , জিৰি জিৰি বৈ যোৱা জুৰি, জুৰিৰ পানীত তিৰবিৰ তিৰবিৰ তৰাৰ নাচোন, বতাহত লৰা আগলী কলাপাত , বাঁহীৰ সুৰ কলা সংস্কৃতি আদিয়ে তেওঁক এনেভাৱে মোহিত কৰে - এইবোৰৰ মাজতেই সাঁতুৰি-নাদুৰি তেওঁ আপোন পাহৰা হয়।

## ৩.০৩ : মানৱ প্ৰেমৰ গীত:-

ভূপেন হাজৰিকা এজন মানৱতাবাদী গীতিকাৰ। তেঁওৰ প্ৰায়সংখ্যক গীতৰ বিষয়বস্তু মানুহ। এই প্ৰসঙ্গত দিলীপ কুমাৰ দত্তৰ মন্তব্য এনেধৰণৰ –

"মানুহে মানুহৰ প্ৰতি যাতে আন্তৰিক মৰম চেনেহ আৰু সহানুভূতি প্ৰদৰ্শন কৰে তাৰ কাৰণে হাজৰিকাই সদায় খাটি আহিছে। দুখীয়া-নিচলা-পীড়িত বা জীৱনত দুখ কষ্ট ভোগা সকলৰ প্ৰতি সহানুভূতিৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে তেওঁ সদায় কাতৰ আহ্বান জনাই আহিছে। তেঁওৰ বহু গীততে মানৱ প্ৰেমৰ সুৰ শুনিবলৈ পোৱা যায়।"[৪] ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" শীৰ্ষক গীতটি হাজৰিকাৰ সৃষ্টিৰাজীৰ ভিতৰত এক অন্যতম সৃষ্টি। গীতটিৰ জৰিয়তে তেওঁৰ মানুহৰ বাবে থকা অপাৰ প্ৰেমৰ ছবি ফুটাই তুলিছে।

তলত হাজৰিকা দেৱৰ মানৱ প্ৰেম প্ৰকাশ পোৱা দুটি গীতৰ উল্লেখ কৰা হ'ল:

[৪] পূৰ্ব উল্লেখিত গ্ৰন্থ পৃ : ১১৩।

## (১) মোৰ গীতৰ হেজাৰ শ্ৰোতা

মোৰ গীতৰ হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ !
গীতৰ সভাত তুমিয়েতো প্ৰধান অলংকাৰ ।।
প্ৰয়াস কৰোঁ তোমাৰ মুখত হাঁহি বিলাবলে
প্ৰয়াস কৰোঁ তোমাৰ দুখত সঁচাই কান্দিবলে
তোমাৰ ক্ৰোধত ক্ৰোধান্বিত হৈও গীত ৰচোঁ
ব্যক্তিসমূহৰ হৈ সুৰৰ শৰাই যাচোঁ

ভুল যদি হয় সৃষ্টিত মোৰ
তুমি হোৱা চিন্তিত
সমালোচনাৰ অগনিৰে পুৰি
মোকো কৰা উন্নত

শৈশৱতে এখন দুখন গীতৰ সভাত গাই
মন উজাৰ কৰোতেই বুকুত দিলা ঠাই ।
তোমাৰ বুকুৰ তপত উমৰ উদগনি পাই

জীৱনৰে দুপৰীয়াও আছো গীত গাই।

গীতৰ সভাত আছিলোঁ মই তোমাৰেই আৱিষ্কাৰ ।

গীতৰ সভাত তুমিয়েতো প্ৰধান অলংকাৰ ।

ওপৰত উল্লেখিত গীতটিত হাজৰিকাই তেওঁৰ গীতৰ শ্ৰোতাসকলক হৃদয়ৰ পৰা নমস্কাৰ জনাইছে। তেওঁ কৈছে, গীতৰ সভাত সেই শ্ৰোতা সকলেই প্ৰধান অলংকাৰ, অৰ্থাৎ তেওঁলোকৰ উপস্থিতি আৰু সমৰ্থনেই গীতৰ আসনত শোভা দিয়ে।

হাজৰিকাই গীতৰ জৰিয়তে শ্ৰোতা সকলক হাঁহি দিয়াবলৈ চেষ্টা কৰাৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে, শ্ৰোতাৰ দুখত দুখী হ'বলৈ প্ৰয়াস কৰে, কেতিয়াবা ক্ৰোধত ক্ৰোধান্বিত হৈও গীত লিখে। তেওঁ ব্যক্তি বিশেষৰ বাবে সুৰৰ জৰিয়তে অনুভৱ বিলাইছে।

তেওঁ কয়, যদি গীতৰ সৃষ্টি ভুল হয়, তেন্তে শ্ৰোতা সকলে চিন্তিত হৈ সমালোচনা কৰক, যেন সেই অগ্নিৰে তেওঁ আৰু সৃষ্টিক উন্নত কৰিব পাৰে।

'মোৰ গীতৰ হেজাৰ শ্ৰোতা' শীৰ্ষক গীত এক গায়কৰ আন্তৰিক অনুভৱৰ বহিঃ প্ৰকাশ, য'ত তেওঁ তেওঁৰ গীতৰ শ্ৰোতাক ধন্যবাদ জনায় আৰু গীতৰ মাধ্যমত তেওঁলোকৰ অনুভূতি সমূহৰ সৈতে একত্ৰতা ঘটায়। সমালোচনাকো সদায় আত্ম উন্নয়নৰ উপায় হিচাপে গ্ৰহণ কৰে।

## (২) কাহিনী এটি লিখাঁ সেৱাৰ বিষয়ে

কাহিনী এটি লিখাঁ সেৱাৰ বিষয়ে

কৈছিলোঁ বহু বহু বাৰ

বন্ধু লিখক, তুমি নুশুনিলাঁ

দেখুৱালাঁ মাথোঁ অহংকাৰ ।।

সঁচা নায়ক বিচাৰি বিচাৰি

তাহানি যে আহিছিলা লৰৰি

ময়ো দেখোন মানৰ ইতিহাসৰ

কথা ক'লোঁ, নিজকে পাহৰি ।।

তেতিয়াতো তুমি লিখি গ'লাঁ

মিছা কথা অন্ধ নায়কৰ

বন্ধু লিখক তোমাৰ লিখাখিনি

মিছা কথাৰ মিছা কল্পনাৰ !!

যি কাহিনী তুমি লিখিছিলাঁ

তাক ইতিহাসত সময়ে লিখিলে

মোৰেই মাজত সহস্ৰ মানৱৰ

যুঁজৰ জোৱাৰ তুমি নেদেখিলাঁ!!

নিজৰি কাপ নিগৰি নিগৰি

(আজি) তোমাৰ ভাষাও পৰিলে ভাগৰি

ময়ো আজি ক্ষণ ক্ষতি কৰি
নেযাওঁ আৰু তোমাকে বিচাৰি।।

নেযাওঁ আৰু শত কাবৌ কৰি
ক'বলৈ আৰু এটি বাৰ ।
বন্ধু লিখক, তোমাৰ লিখাখিনি
মিছা কথাৰ মিছা কল্পনাৰ ।।
কাহিনী এটি লিখা সেৱাৰ বিষয়ে
কৈছিলোঁ বহু বহু বাৰ!!

উক্ত গীতটিৰ বিষয়ে "ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ"ত কোৱা হৈছে -

"হে মোৰ বন্ধু গল্প লিখক, তোমাৰ ভাষা আছে, প্ৰকাশ আছে - । সেৱাৰ বিষয়ে তোমাক কতবাৰ কত উপাদান দিলোঁ তুমি অৱহেলা কৰিলা- তুমি মাথোঁ মিছা বিষয়বস্তুক আলংকাৰিক ভাষাৰে সজাই কাহিনী ৰচিলা- এতিয়া আৰু একো নকওঁ"[9] - ড ভূপেন হাজৰিকা ।

গল্পকাৰ, ঔপন্যাসিক আদি লিখক সকলে কাহিনী লিখে কল্পনাক প্ৰাধান্য দি। আচলতে লিখকসকলে কল্পনাৰ ৰহণ সানি সত্যৰ ভেটিত প্ৰতিষ্ঠিত কাহিনীহে লিখা উচিত য'ত মানৱ প্ৰেমৰ সুৰ ধ্বনিত হয়। সেই সাহিত্য হয় সৰ্বজন সমাদৃত, কালজয়ী। সত্যক ঢাকি ৰাখি মিছাৰ প্ৰলেপ সানি মিছা নায়কৰ মিছা বিষয়বস্তুক আলংকাৰিক ভাষাৰে সজাই পৰাই লিখি অতি সোনকালে সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিব পাৰি । কিন্তু সময়ে

[9] হাজৰিকা, ড ভূপেন, "ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ", প্ৰকাশক: পাঠক প্ৰকাশনৰ হৈ, তৰনী পাঠক, পৃ: ১১৩।

এদিন উদঙায় দেখুৱায় প্ৰকৃত সত্য । এজন মানুহেই সহস্ৰ জনৰ হৈ যুঁজ দিয়া, মানৱ সেৱাৰ সপক্ষে আজীৱন যুঁজ দিয়া সেই সঁচা নায়কজন গীতিকাৰ নিজেই। লিখক বন্ধুৱে অৱহেলা কৰা তেঁওৰ সেই সঁচা কাহিনী ইতিহাসে নিজেই নিজৰ পৃষ্ঠাত লিপিবদ্ধ কৰি ল'লে। ড হাজৰিকাদেৱে উপহাৰৰ শৰ নিক্ষেপ কৰি ৰচা এই গীতটিৰ কথাৰ আঁৰৰ মানুহজন হ'ল তেওঁৰেই সাহিত্যিক বন্ধু, সহপাঠী সাহিত্যাচাৰ্য পদ্ম বৰকটকী।

## ৩.০৪ : সাময়িক প্ৰসঙ্গৰ গীত:-

ভূপেন হাজৰিকাৰ সাময়িক প্ৰসঙ্গৰ গীত হৈছে তেনে গীত, যিবোৰ তেওঁ সমাজ, ৰাজনীতি, সংস্কৃতি আৰু মানুহৰ দৈনন্দিন জীৱনৰ বিভিন্ন প্ৰসংগত আধাৰিত কৰি লিখিছিল। এই ধৰণৰ গীতত তেওঁ সেই সময়ৰ সমস্যা, সংঘাত, আশা আৰু বিচাৰ সমানকৈ প্ৰতিফলিত কৰিছিল।

তলত এনেধৰণৰ দুটি গীতৰ বিশ্লেষণ কৰা হৈছে –

**(১) তেৰশ চৌৱন্নৰ মাঘৰে**

তেৰশ চৌৱন্নৰ মাঘৰে মাহৰে যোল্লৰে বিয়লি বেলা

পৃথিৱীৰ শিৰতে বজ্ৰপাত পৰিলে বাপুজী ক'লৈনো গ'লা?

এন্ধাৰৰ মাজেদি জোৰ লৈ আহিলাঁ

অশেষ যাতনা ভেদি

মৰমৰ হাঁহিৰে হেংদান ভাঙিলা

অসত্যক কেনিবা খেদি

পৃথিৱী খনিয়ে হিংসাৰ তেজেৰে যেতিয়া ৰাঙলী হ'ল

অহিংসাৰ বাণীৰে ধুৱালা পখালা শতৰু বিস্ময় গ'ল।

অকলে অকলে কৰ্তব্য পালিলাঁ

নাশিলা পুৰণি প্ৰথা নামৰে প্ৰমাণি জগতক বিলালাঁ

আল্লাহ ৰাম একেটি প্ৰথা।

ধূলিৰো তলৰে ধুলিও মাকতিক

লগালাঁ আলফুল মাত

হৰিজন দলিতক সাৱটি ধৰিলাঁ

স্বাৰ্থও পৰিলে শাঁত ।

সোতৰ মাঘৰে আকাশত উৰিলে চন্দন কাঠৰে ধোঁৱা

ধোঁৱাকে সাৱটি ফেকুৰি ফে কুৰি

বতাহে কান্দিছে চোৱা। বাপুজী ক'লৈনো গ'লা?

উক্ত গীতটিত হাজৰিকাই মহাত্মা গান্ধীৰ মৃত্যু প্ৰসংগ প্ৰকাশ কৰিছে। হিংসা পৰিহাৰ কৰি অহিংসাৰ বাণীৰে ভাৰত স্বাধীন কৰি শত্ৰুক বিস্ময়াভূত কৰা, দলিতজনক নিস্বাৰ্থভাৱে সহায় কৰা, পুৰণি প্ৰথা নাশি সমাজত আল্লা নাম ৰামৰ শান্তিয়ণী জল বিলোৱা বাপুজীৰ মহত্বক গীতটিত শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে -

*"পৃথিৱী খনিয়ে হিংসাৰ তেজেৰে যেতিয়া ৰাঙলী হ'ল*

*অহিংসাৰ বাণীৰে ধুৱালা-পখালা*

*শতৰু বিস্ময় গ'ল"।*[10]

( গীতাৱলী, পৃ.২৫৯)

**(২) লুইতপৰীয়া ডেকা বন্ধু**

লুইতপৰীয়া ডেকা বন্ধু

তোমাৰ তুলনা নাই

জীয়াই থকাৰ যুজঁত নামিছা

মৃত্যু শপত খাই

পূৰণি পুৰুষে হাত সাৱতি

[10] হাজৰিকা, ড০ ভূপেন, "ড০ ভূপেন হাজৰিকাৰ গীত সমগ্ৰ",প্ৰকাশক: এছ এইচ, শৈক্ষিক ন্যাস, সম্পা:সূৰ্য্য হাজৰিকা, পৃ.২৫৯।

বহুতো হেৰুৱালে

উদাৰতাক শতৰুৱে

দূৰ্বলতা ললে

আজি বজ্ৰৰ দৰে গৰ্জন কৰি

শতৰুক ওফৰায়

জীয়াই থকাৰ যুজঁত নামিছা

মৃত্যু শপত খাই

তোমাৰ পবিত্ৰ সাহত কলংক

সানোতা যি সব আছে

চোৰা এটি এটি কৈ

লাজতে সিহঁতে

নিজৰ সমাধি ৰছে

লুইতে আজি ফেনে ফোটোকাৰে

তীব্ৰ বেগেৰ বলে

তোমাৰ সাহৰ জোৱাৰ দেখি

নতশিৰে প্ৰণামিলে

পৃথিৱীয়ে আজি তোমাৰ পিনে

ডিঙি মেলি চায়

জীয়াই থকাৰ যুজঁত নামিছা

মৃত্যু শপত খাই

ওপৰত উল্লেখিত “লুইতপৰীয়া ডেকা বন্ধু” শীর্ষক গীতটি দিলীপ কুমাৰ দত্তৰ “ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ” ত উল্লেখ থকা মতে, ১৯৮০ চনৰ এপ্রিল মাহত অসম আন্দোলনত আগ ভাগ লোৱা বহুতো ছাত্রক গ্রেপ্তাৰ কৰা বুলি বাতৰি কাকতৰ পৰা জানিব পাৰি এইচ. এম. ভি ষ্টুডিঅ’ ত ৰচে।

## ৩.০৫ : কথাছবিৰ গীত:-

ভূপেন হাজৰিকা অসমৰ এগৰাকী কিংবদন্তি সঙ্গীতকাৰ, গীতিকাৰ, কণ্ঠশিল্পী আৰু চলচিত্র নির্মাতা আছিল। তেওঁ বহুতো অসমীয়া বঙালী আৰু হিন্দী বোলছবিত গীত ৰচনা কৰিছিল। ভূপেন হাজৰিকাৰ কথাছবিৰ গীতসমূহো তাৎপর্যপূর্ণ। কথাছবিৰ কাহিনীৰ মতে সংগতি ৰাখি ৰচনা কৰা এই গীতসমূহত বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ চিত্রণ দেখা যায়।

তলত এনেধৰণৰ কিছু গীতৰ উল্লেখ কৰা হৈছে –

**(১) অয় অয় আকাশ শুব**

অয় অয় আকাশ শুব

অয় অয় বতাহ শুব

দিগন্ততে হাহাকাৰ হ’ব....

সময়ে যেন স্তব্ধ হয়, হয়

ভীত হয়, হয়

চকুলো শিল হ'ব

অয় অয় সময় শুব।।

পাপ যদি বেয়া, কামনা কিয় দিলে

দিলে, দিলে?

মোহ যদি বেয়া, বিৰহ কিয় দিলে

দিলে, দিলে?

ভাঙন যদি বেয়া, বিৰহ কিয় দিলে

দিলে, দিলে?

তাৰ সমিধান কোনে দিব

কোনে দিব?

অয় অয় সময় শুব।।

সাঁথৰভৰা নিশা মোৰ সোণ শুব।

কথা : বৈধ্য কি, অবৈধ কি?

বৈধ্য কি? অবৈধ কি?? প্ৰশ্ন হ'ব।।

দিগন্ততে হাহাকাৰ হ'ব।

দিগন্ততে হাহাকাৰ হ'ব।।

উক্ত গীতটি ভূপেন হাজৰিকাই ১৯৬৪ চনত বোলছবি 'প্ৰতিধ্বনি' ত সন্নিৱিষ্ট কৰিছিল। গীতটিৰ কথা-সুৰ-সংগীত আছিল হাজৰিকাদেৱৰ। গীতটিত কণ্ঠদান কৰিছিল সুকণ্ঠী গায়িকা সুমন কল্যানপুৰে।

গীতটি লোকগাঁথাৰ ওপৰত ৰচিত। লিয়েংমাকাও নামে এগৰাকী কন্যা গৰখীয়া ৰাইটঙৰ বাঁহীৰ সুৰত মোহিত হৈ প্ৰেমত পৰে। দুয়োৰে মাজত অবৈধ প্ৰেমৰ ফলস্বৰূপে লিয়েংমাকাও গৰ্ভৰতী হৈ এটি সন্তানৰ জন্ম দিয়ে। কিন্তু সমাজে জানো এয়া মানি ল'ব? মানুহে সমাজত বসবাস কৰাৰে পৰা সন্তানে পিতৃ মাতৃৰ পৰিচয়েৰে ডাঙৰ দীঘল হয়। কিন্তু সেই অবৈধ সন্তানটিৰ পিতৃ পৰিচয় জানো সেই মাতৃ য়ে সমাজৰ আগত দিব পাৰিব । গীতটিত অবৈধ সন্তান জন্ম দিয়া এগৰাকী নাৰীৰ যি মানসিক কষ্ট সেয়া প্ৰতিস্ফূট হৈ উঠিছে । বৈধ হওঁক বা অবৈধ হওঁক মাতৃৰ বাবে প্ৰতিটো সন্তানৰ স্থান একেই। ড হাজাৰিকাদেৱে এইদৰে কয় –

"দুৰ্ভাগ্যবশতঃ এগৰাকী গাভৰুৰ গৰ্ভত এটি অবৈধ শিশুৱে ঠাই ল'লে। শিশুটিৰ জন্মও হ'ল। মাকৰ মনত শিশু সদায়েই নয়নৰ মণি। অবৈধ শিশুৰ বিষয়ে কোনোবাই ক'ৰবাত নিচুকণি গীত লিখিছে নে ক'ব নোৱাৰোঁ। মোৰ হ'লে লিখা হ'ল। কাৰণ, বৈধ হওঁক বা অবৈধই হওঁক - তেনে শিশু জানো এটি বিৰাট সামাজিক প্ৰশ্ন নহয়?"[11]

[11] পূৰ্ব উল্লেখিত গ্ৰন্থ,পৃ: ১১০।

## (২) **কঁপি উঠে কিয় তাজমহল**

হা হা হা.....

কঁপি উঠে কিয় তাজমহল ?

পুৰতি নিশাৰ আজানৰ স'তে আজান

যমুনাত তুলি

শত-ধুমুহাৰ কোলাহল

তাজমহল! তাজমহল!!

ই যে ছাহজাহানৰ হিয়াৰ আজান

অ' মমতাজ জান!

অকলশৰীয়া হায়

কান্দে তোৰ ছাহজাহান।।

তাজমহল! তাজমহল!!

মমতাজে কয় উচুপি উচুপি

মমতাজে কয় সমাধিত বহি

প্ৰেমিক প্ৰিয় ছাহজাহান

দুঃখ হ’ল অৱসান

আশাৰ ফলিল ফল

গঢ়িলোঁ তাজমহল

তাজমহল তাজমহল

তাজমহল তাজমহল।।

এই গীতটি “ড ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ” ত উল্লেখ থকা মতে, হাজৰিকাদেৱে বিশ বছৰীয়া যৌৱনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত এম. এ পঢ়িবলৈ যাওঁতে আগ্ৰাৰ তাজমহল দেখি তেঁওৰ বুকুতো পাহ মেলিছিল প্ৰেমৰ শতদল। কাৰণ তেওঁৰ অপূৰ্ব সুন্দৰী প্ৰেয়সিক এৰি থৈ আহিছিল। সেয়ে আবেগ বিহ্বল হৈ তেওঁ এই গীতটি ৰচে আৰু পিছত ১৯৪৮ চনত ফণী শৰ্মাৰ ‘চিৰাজ’ কথাছবিত দিয়ে।

এই গীতটি তাজমহলৰ সৃষ্টি আৰু তাৰ অন্তর্নিহিত ভালপোৱাৰ বেদনাক কাব্যিক ৰূপত প্ৰকাশ কৰে। পুৱতি নিশাৰ আজানৰ সৈতে যমুনাৰ পাৰত যেন সহস্ৰ ধুমুহাৰ শব্দ উঠিছে, যি যেন চাহজাহানৰ অন্তৰৰ যন্ত্ৰণাৰ প্ৰতিধ্বনি। মমতাজৰ মৃত্যুৱে চাহজাহানক এক অকলশৰীয়া, শোকাকুল প্ৰেমিকত পৰিণত কৰিছে। মমতাজৰ সমাধিত বহি চাহজাহানে তেওঁৰ প্ৰেম আৰু দুখৰ অন্ত পৰাৰ আশাৰে তাজমহল নিৰ্মাণ কৰে। এই গীতত প্ৰেম, বিয়োগ আৰু সেই বিয়োগৰ ফলস্বৰূপ এক অপূৰ্ব শিল্প সৃষ্টি তাজমহলৰ কাহিনী বৰ্ণনা কৰা হৈছে।

তাজমহল মাথোঁ সৌন্দৰ্য্যময় নহয়, ই হৈছে প্ৰেমিকৰ কান্দোন, এক নিৰ্বাক স্মৃতি, আৰু চিৰদিনলৈ প্ৰেমৰ এক জ্যোতিষ্ক চিহ্ন।

# ৪.০০: চতুৰ্থ অধ্যায়

## ৪.০১: ভূপেন হাজৰিকাৰ গীতত লোকসংগীতৰ প্ৰভাৱ:-

ভূপেন হাজৰিকাৰ গীতত লোকসংগীতৰ প্ৰভাৱ গভীৰ আৰু সুদৃঢ় । তেওঁ অসমীয়া লোকসংগীতৰ মূল চেতনাটো লৈ আধুনিক সংগীতৰ সৈতে সুন্দৰ মিশ্ৰণ সৃষ্টি কৰিছিল। ভূপেন হাজৰিকাৰ গীতিময় ৰচনাসমূহত লোকসংগীতৰ পৰম্পৰা আৰু তেঁওৰ সৃষ্টিশীলতাৰ এক উল্লেখযোগ্য মিশ্ৰণ সন্নিবিষ্ট কৰা হৈছে। লোকসংগীতৰ সৈতে হাজৰিকাৰ পৰীক্ষা নিৰীক্ষা এক অবিৰত প্ৰক্ৰিয়া হৈয়েই থাকিলাৰো ফলত, তেওঁ অসমৰ লোকসঙ্গীতক পুনৰ সজীৱ কৰি তুলিলে। তেঁওৰ ৰচনাৰ উপৰত অধিক নিবিড় ভাৱে পৰ্যবেক্ষণ কৰিলে, তেওঁৰ স্বকীয় সংগীত শৈলী সৃষ্টিৰ বাবে অসমীয়া লোকসংগীতৰ ধাৰাসমূহৰ পৰা তেওঁলোকৰ শৈলী, গ্ৰন্থ, সুৰ, প্ৰবচনৰ প্ৰকাশৰ ক্ষেত্ৰত তেওঁ আহৰণ কৰা বিস্তৃত প্ৰেৰণা সমূহৰ ধাৰণা আগবঢ়ায়। লোকসঙ্গীত আছিল গণশিল্পী জনৰ বাবে নিজৰ বাৰ্তাসমূহ শ্ৰোতা সকলক মাজলৈ প্ৰেৰণ কৰাৰ এক অস্ত্ৰ, তাৰ জৰিয়তে, সামাজিক প্ৰগতিৰ প্ৰক্ৰিয়াটো তীব্ৰতৰ কৰি তোলা। কিছুমান পৰম্পৰাগত সংগীতৰ সৈতে বিষয় ভিত্তিক আৰু গাঁথনি গত আত্মীয়তা বিবেচনা কৰিলে তেওঁৰ বহু গীতক পৰম্পৰাগত সংগীতৰ শ্ৰেণীৰ শাৰীত অন্তৰ্ভুক্ত কৰিব পাৰি। এইদৰেই পৰম্পৰাগত লোকসংগীতৰ সৈতে কৰা পৰীক্ষা সমূহে নতুন আৰ্থ-ৰাজনৈতিক আৰু সাংস্কৃতিক মানদণ্ড ধৰি এক অনন্য সঙ্গীত শৈলীৰ সৃষ্টি কৰিছিল।

তলত লোকসংগীতৰ বিভিন্ন ৰূপৰ পৰা প্ৰভাৱিত হৈ সৃষ্টি কৰা কেইটিমান গীতৰ আলোচনা কৰা হ'ল –

- **বেলাড:-** বেলাড হৈছে এক ধৰণৰ কাব্যিক ৰচনা যি মূলতঃ লোকসাহিত্যৰ অংশ হিচাপে গীত ৰূপে পৰিচিত। ইয়াৰ মূল উদ্দেশ্য হৈছে কাহিনী কোৱা। বিশেষকৈ প্ৰেম, যুদ্ধ, বিৰহ, সাহসিকতা বা দুখনিদানজনক ঘটনাৰ কাব্যিক বৰ্ণনা। ই হৈছে এক গাঁথা গীতৰ ধৰণৰ কাব্য য'ত সহজ ভাষাত ছন্দোবদ্ধ ৰূপত আৰু সাধাৰণতে

চাৰিচৰণীয়া স্তবকৰ ৰূপত কোনো ঘটনাৰ কাহিনী কোৱা হয় । ই সাধাৰণতে মুখে মুখে প্ৰচাৰ হৈ আহে আৰু জনজীৱনৰ অনুভূতি, দুখ, কষ্ট আৰু বীৰত্বক প্ৰতিফলিত কৰে। ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ উদ্যোগত দেশপ্ৰেমমূলক আৱেগেৰে ডুব যোৱা বহু সংখ্যক বেলাড গীতৰ জন্ম হয়। এই গীতবোৰ দেশৰ সকলো আঞ্চলিক ভাষাতে সৃষ্টি কৰিছিল অসংখ্য অচিনাকি কবিয়ে। এই আখ্যান মূলক গীতৰ ধাৰা টোৱে ভূপেন হাজৰিকাৰ হাতত এক অসাধাৰণ মাত্ৰা লাভ কৰিছিল। ড ভূপেন হাজৰিকাৰ এটি অতি জনপ্ৰিয় ৰচনা 'পৰহি পোৱাতে' শীৰ্ষক গীতটিত দুখীয়া মাছমৰীয়া ৰং মনৰ এক ভয়ংকৰ কাহিনী বৰ্ণনা কৰা হৈছে। লগতে তেওঁৰ পত্নী ৰহদৈয়ে সেই অগণন মানুহক প্ৰতিনিধিত্ব কৰি, যিসকলে জীৱিকাৰ স্বাৰ্থত জীৱনৰ ভাবুকিক উপেক্ষা কৰিবলগীয়া হয়। ভয়ংকৰ বতৰৰ মাজতো ৰংমনে মাছ ধৰিবলগীয়া হ'ল আৰু অৱশেষত ব্ৰহ্মপুত্ৰৰ উত্তাল নদীত হেৰাই গল। সন্ধিয়ালৈকে তেওঁ উভতি নাহিল আৰু আগতীয়া দুৰ্যোগত কঁপোৱা ৰহদৈ দুখত উন্মাদ হৈ পৰিল, তাইৰ সকলো সপোন ছিন্ন ভিন্ন হৈ পৰিল। দুদিন পিছত মৃতদেহটো টোৱে পাৰলৈ লৈ যায়। গীতটিৰ দ্বিতীয় পদটোৱে ধুমুহাময় নদীত মাছ ধৰিবলৈ যোৱাৰ সিদ্ধান্ত লোৱা স্বামীৰ প্ৰতি পত্নীৰ আশংকা প্ৰকাশ পাইছে। 'মাছকে মাৰিবলে নেলাগে যাবলে, ধুমুহা আহিবৰ হল' অৰ্থাৎ পত্নীয়ে স্বামীক কৈছে মাছ মাৰিবলে যোৱাৰ প্ৰয়োজন নাই, ধুমুহা আহিবৰ হ'ল, যদি কোনোবাই কেনেবাকৈ আক্ৰমণ কৰে, তেতিয়া তেজ যাব বুলি পত্নীয়ে স্বামীক কৈছে। গীতটিৰ তৃতীয় অংশটোৱে ৰহদৈৰ গভীৰ যন্ত্ৰণা আৰু স্বামীৰ কৰুণ অন্তৰায়ৰ ফলত সৃষ্টি হোৱা গভীৰ শূণ্যতা ৰ মৰ্মস্পৰ্শী প্ৰকাশ কৰিছে।

- ড হাজৰিকাৰ আন এটি গীত 'ফুট গধুলিতে' (১৯৫৫) । গাঁৱলীয়া জীৱন আৰু যৌৱনৰ প্ৰেমৰ শান্তিপূৰ্ণ আৰু সৰল পৰিৱেশে গীতিকাৰজনৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু সেইবোৰ তেঁওৰ এটা আখ্যানমূলক গীত "ফুট গধূলিতে" প্ৰকাশ পাইছে। গীতটিত এজন যুৱক আৰু এগৰাকী গাখীৰৰ দাসী ৰ মাজত এটা উদীয়

মান ৰোমান্টিক কাহিনীৰ কলমৰ ছবি অংক ন কৰা হৈছে, যিয়ে নিজৰ হেৰুৱা গৰুটো বিচাৰিছে।

হাজৰিকাৰ কিছুমান গীতে সম্পূৰ্ণ কাহিনী বৰ্ণনা নকৰাকৈ ও কিছুমান সুন্দৰ কাহিনী তেওঁৰ শ্ৰোতাৰ মনলৈ প্ৰেৰণ কৰে। তেনে ধৰণৰ কিছু গীত হৈছে - জনকপুৰৰ জোনাকীয়ে (১৯৫৬), পাহাৰৰ সিপাৰে (১৯৬২), নেকান্দিবা নেকান্দিবা (১৯৬৪), মিঠা মিঠা বহাগৰ, শ্বিলঙৰে মনালিছা (১৯৬৫) ইত্যাদি। হাজৰিকাৰ কেইবাটাও গীতে পুৰণি ঐতিহাসিক বেলাডৰ পৰা প্ৰেৰণা লাভ কৰে। 'পিয়লি ফুকন' (১৯৫৫) আৰু 'মণিৰাম দেৱান' (১৯৬৩) কথাছবিৰ গীত ৰচনা কৰাৰ সময়ত তেওঁ মণিৰাম দেৱানৰ গীত, বৰফুকনৰ গীত আদি গীতৰ শৈলীত কিছুমান স্মৰণীয় বেলাড পুনৰ সৃষ্টি কৰিছিল। তেঁওৰ 'কলাজয় মৃত্যুঞ্জয় মণিৰাম', 'ফেকুৰে কৰিলে চিউ' গীতত মণিৰাম দেৱানৰ কৰুণ ভাগ্যৰ বাবে শোক প্ৰকাশ কৰিছে -

*"আজি কি বাৰে        শুকুৰ ঐ মণিৰাম*

*কালি কি বাৰে শুকুৰ*

*মণিৰাম দেৱানৰ        অমংগল মিলিল ঐ*

*কালেদি বগালে কুকুৰ"*

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে নিজৰ গীতটোত কিছু পৰিৱৰ্তন কৰিছে –

*"আজি কি বাৰে     গুৰু বৃহস্পতি*

*কালি কি বাৰে শুকুৰ*

*মণিৰাম দেৱানৰ    অমংগল মিলিল ঐ*

কালেদি বগালে কুকুৰ"।[12]            (গীত সমগ্ৰ ৩৩২ )

---

12 পূৰ্ব উল্লেখিত গ্ৰন্থ,পৃ: ৩৩২।

ওপৰত উল্লেখিত গীতটো চাৰিটা শাৰীৰে গঠিত, দ্বিতীয় শাৰীটোৱে চতুৰ্থ শাৰীটোৰ সৈতে ছন্দ মিলাইছে।

অসমত গোমধৰ কোঁৱৰৰ উত্থানৰ লগে লগে ব্ৰিটিছ্ শাসক সকলৰ বিৰুদ্ধে বিপ্লৱী জাতীয়তাবাদী আৱেগৰ আৰম্ভণি হৈছিল। এই আৱেগক আগুৱাই লৈ গৈছিল পিয়লি ফুকনৰ দৰে বহু বিপ্লৱীয়ে। পিয়লি ফুকন আছিল এজন লোকনায়ক আৰু তেঁওৰ জীৱন আৰু মৃত্যুৱে তেওঁৰ সন্মানত পৰৱৰ্তী সময়ত অসংখ্য লোক গীতৰ সৃষ্টি হয়। তেনে এটি গীতত তেওঁৰ ত্যাগৰ বিৱৰণী উত্তেজক ৰূপত দিয়া হৈছে -

“পিতৃ বদনে মান মাতি আনি

ৰাইজলৈ আনিলে বিলাই

আজন্মা চকলাইধাৰ খুজি যাবা

যদিহে দেহাই কুলাই”।

পিয়লি ফুকন চিনেমাখনৰ বাবে ৰচনা কৰা হাজৰিকাৰ গীত ‘পিয়লি পিয়লি’ আৰু ‘উজাই বুৰে দিলে’ গীত দুটি সমসাময়িক আৰ্থ-ৰাজনৈতিক পৰিস্থিতি আৰু পিয়লি ফুকনৰ কৰুণ ভাগ্যৰ কথা প্ৰকাশ পায়। এই গীত টোৱেও পৰম্পৰাগত বেলাডৰ দৰে চতুৰ্থ শাৰীটোৰ ৰূপ ধৰি ৰাখে আৰু দ্বিতীয় শাৰীটোৱে চতুৰ্থ শাৰীটোৰ সৈতে ছন্দ মিলাইছে।

- **বিহুগীত:-** ভূপেন হাজৰিকাই তেখেতৰ গীতৰ বেছি সংখ্যক সুৰ বিহুগীতৰ পৰা অনুপ্ৰাণিত হৈ দিছিল। বিহুগীতৰ প্ৰাণ টানি নিয়া, সৰল প্ৰকাশভংগী আদিয়ে হাজৰিকাৰ মন সহজতে চুইছিল। হাজৰিকাই তেওঁৰ গীতৰ মাধ্যমেৰে বহাগ আৰু বিহুগীতক বিশেষ ভাৱে মৰ্যদা প্ৰদান কৰিছে।

বিহুগীতক আধাৰিত কৰি বিহুগীতৰ সুৰৰ সৈতে সামঞ্জস্য ৰাখি তেওঁৰ সৃষ্টি কেইটিমান গীতৰ পংক্তি এনেধৰণৰ –

(ক) “ছাগৰ ছাল ছেলাবৰ ডবুৰা কটাৰী

পহুৰ ছাল ছেলাবৰ মিট

গাঁৱৰ বুঢ়া মেথা দায়ে নধৰিবা গাই যাঁও বতৰৰ গীত”

(খ) “কলাচোলা কুৰুতা গুদাম আছে চাৰিটা

চাৰি ও চাৰিকে চৰে

এ, এইজনীৰ চকুলৈ চাবকে নোৱাৰি জালুক জলকীয়াই পোৰে

পাণ বৰিয়ালৰ পাণ ঐ নানিবি

নানিবি গুৱালৰ দৈ

গামখাৰু আনিলেও তোৰ দৰে বুঢ়া টোক কাহানিও নুবুলো পৈ ”

(গ) “অ’ বিহুৰেনো বিৰিণা অ’ আইতা

অ’ নাচনীৰ কলাফুল অ’ আইতা

কেৰুমণি থুৰীয়া পাতে সমনীয়া অ’ আইতা তুমি আমাৰ যুৰীয়া

বহাগতে পাতি যাওঁ বিয়া অ অ আইতা

কেৰুমণি গেজেৰা নেমাৰিবা কেতেৰা

চায়েনো চাই থাকিবৰ মনে অ’ আইতা

চায়েনো চাই থাকিবৰ মন”

(ঘ) “হাঁহে হৈ চৰিমগৈ অ’ মইনা তোমাৰেনো পুখুৰীত

এ পাৰ হৈনো পৰিমগৈ চালত

এ ঘামে হৈ সোমামগৈ অ’ মইনা তোমাৰেনো শৰীৰত মাখি হৈনো চুমা দিম গালত”

- **ঝুমুৰ:-** হাজৰিকাই লোকগীতক চৰ্চাত মনোনিৱেশ কৰি তেওঁৰ গীতত ঝুমুৰ গীতৰ সুৰৰ সুৰ বৈচিত্র্য সৃষ্টি কৰাত সহায় কৰিছে। হাজৰিকাৰ ভালেমান গীতত ঝুমুৰ গীতৰ সুৰ প্রতিধ্বনি হৈছে। হাজৰিকাৰ গীতত ঝুমুৰ গীতৰ সুৰ পোনপটীয়া ভাৱে ব্যৱহাৰ হৈছে যেনে -

(ক) (জিগিজা গিজাও অ’ গিজাও)[3]

(খ) বাৰ মাসেৰ বাৰ ফুল

ভাদৰ মাসেৰ কেয়াৰে

কিবা দৰে ছাড়ে গেল’

অভাগিনী পিয়াৰে

অ’ অভাগিনী পিয়াৰে....

আনহাতে ঝুমুৰ গীতৰ সুৰৰ আৰ্হিত সৃষ্টি কৰা গীত কেইটি এনেধৰণৰ -

(ক) “ৰাধাচূড়াৰ ফুল গুঁজি

ৰাধাপুৰৰ ৰাধিকা

চাহ-বাগিচাত ঝুমুৰ নাচি

জুগ্নুক যাচে ফটিকা।

সেই ফটিকা প্ৰেম ফটিকা

(তাত) ভেজাল-তেজাল একো নাই।

(ই) কৃষ্ণচূড়া ফুলৰ দৰে সঁচা ৰং ছটিয়ায়

জুগনু বোলা শিৰীষ গছত

ৰাধা যেন লতিকা।

চাহ-বাগিচাত ঝুমুৰ নাচি

জুগনুক যাচে ফটিকা।”

(খ) “এটি কলি দুটি পাত ৰতনপুৰ বাগিচাত

লহপহীয়া হাতেৰে কোনেনো চিঙিলে”

- **অন্যান্য সুৰ:-** ভূপেন হাজৰিকাই অসমৰ বিভিন্ন লোকগীতৰ সুৰৰ আধাৰত অনেক গীতৰ সুৰ সৃষ্টি কৰে। বেলাড, বিহুগীত, ঝুমুৰৰ উপৰিও হাজৰিকাৰ গীতত নাওখেলৰ গীত, কামৰূপী, গোৱালপৰীয়া লোকগীত, বিয়ানাম, নিচুকনী গীত, নামনি অসমৰ ম'হখেদা গীত আদিৰ আভাষ পোৱা যায়।

মন কৰিবলগীয়া যে ভূপেন হাজৰিকাই বিভিন্ন লোকশৈলীৰ বহু লোকগীত, অডিঅ' ৰেকৰ্ডিংৰ জৰিয়তে পুনৰুদ্ধাৰ কৰি বৃহত্তৰ দৰ্শকৰ বাবে উপলব্ধ কৰি তুলিছে। হাজৰিকাই অডিঅ' ৰেকৰ্ডিং কৰা গীতসমূহ হ'ল ‘ৰাধে ক'লা নুবুলিবি, কাই

হেৰো', শ্যামকানু, যিবেৰ বেউলা ( কামৰূপী লোকগীত), কানাইপাৰ কৰা, মৰে মালুৱাক (নাওখেলৰ গীত), লাওখোৱাৰ পাৰে, বন্ধুৰ বাড়িতে, বাৰো মাছে, তোমৰা গেইলে (গোৱালপৰীয়া লোকগীত), মোৰ মনত, চেনেহৰ চায়াদ(জাৰি) ইত্যাদি।

## ৪.০২:- ভূপেন হাজৰিকাৰ গীতত শাস্ত্ৰীয় সংগীতৰ প্ৰভাৱ:-

ভূপেন হাজৰিকাৰ গীতত শাস্ত্ৰীয় সংগীতৰ প্ৰভাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ নিজৰ সংগীতক গভীৰতা গম্ভীৰতা আৰু সাংগীতিক বৈচিত্ৰ্য প্ৰদান কৰিবলৈ শাস্ত্ৰীয় সংগীতৰ বহুতো মৌলিক উপাদান ব্যৱহাৰ কৰিছিল।

ভূপেন হাজৰিকাৰ গীতত প্ৰায়ে বিভিন্ন ভাৰতীয় শাস্ত্ৰীয় ৰাগৰ উপাদান সন্নিৱিষ্ঠ কৰা হয় যদিও পৰম্পৰাগত অৰ্থত তেওঁ কঠোৰভাৱে ৰাগভিত্তিক সুৰকাৰ নহয় । তেওঁ লোকসংগীতৰ পৰা প্ৰেৰণা লাভ কৰিছিল আৰু সেইবোৰক তেঁওৰ ৰচনাৰ সৈতে একত্ৰিত কৰিছিল। প্ৰয়ে এক অনন্য মিশ্ৰণৰ সৃষ্টি কৰিছিল। 'দিল হুম হুম কাৰে' এটা সুপৰিচিত উদাহৰণ যত তেওঁ ভীমপলাসী ৰাগ ব্যৱহাৰ কৰিছে বুলি গীতটোৰ বিশ্লেষণত প্ৰকাশ পাইছে।

'স্নেহে আমাৰ শত শ্ৰাৱনৰ', 'ৰুদ্ধ কাৰাৰ দুৱাৰ ভাঙি' আৰু 'নতুন নিমাতী নিয়ৰৰে নিশা' - এই গীতকেইটি হৈছে শাস্ত্ৰীয় সংগীতৰ ৰাগৰ পৰশ থকা হাজৰিকাদেৱৰ উল্লেখযোগ্য গীত। তফজ্জুল আলিৰ মতে, 'স্নেহে আমাৰ শত শ্ৰাৱনৰ' গীতটোৰ সুৰ সাৰংগ ৰাগত নহয়, মেঘ মল্লাৰ ৰাগৰ লগতহে অধিক মিলে। দুয়োটা ৰাগৰ মাজত স্বৰৰ ব্যৱহাৰ কিছু ভিন্ন হোৱা দেখা যায়। কিন্তু শুদ্ধ সাৰংগ ৰাগত তীব্ৰ মধ্যমৰ ব্যৱহাৰ যেনেদৰে হয়, 'স্নেহে আমাৰ' গীতটোত তেনেদৰে হোৱা দেখা পোৱা নাযায়। বৰং মেঘমল্লাৰৰ তীব্ৰ মধ্যমে বৰ্জিত উত্তৰাংগ স্বৰৰ সঞ্চাৰণতহে সঘনে হৈছে। সেয়েহে এই গীতটিত মেঘমল্লাৰৰ ৰাগৰ ৰূপ প্ৰস্ফুটিত হোৱা দেখিবলৈ পোৱা যায়। আনহাতে 'বুকু হম হম কৰে' শীৰ্ষক গীতটিত ভূপেন হাজৰিকাই ভূপালী ৰাগত আছে বুলি উল্লেখ কৰিছে। ভূপালী ৰাগত থকা সা ৰে গা পা ধা সা, এই আটাইকেইটা স্বৰ 'বুকু হম হম কৰে' গীতটিত ব্যৱহৃত হৈছে।

তলত এই গীতটিৰ স্বৰলিপি উল্লেখ কৰা হ'ল –

## বুকু হম হম কৰে মোৰ আই

বুকু হম হম কৰে মোৰ আই

সা গা গা ৰে গা ৰে গা পা পা ধা পা ধা পা ধা পা পা পা গা

কোনে নিদ্ৰা হৰে মোৰ আই

গ প ধ প ধ প প ধ ধ ধ নি প ধ প

পুত্ৰ হৈ মই কি মতে তৰো

প ধ সা সা সা সা ধ সা সা ধ

আই তোৰে হৈ মই মৰো

ধ ধ ৰে ৰে সা সা সা প প ধ প ধ প গ

বুকু হম হম কৰে মোৰ আই

সা গা গা ৰে গা ৰে গা পা পা ধা পা ধা পা ধা পা পা পা গা

অন্তৰা - (১)

দেশৰে চন্দ্ৰমা

স ৰে গ ৰে গ ৰে ৰে গ ম গ ৰে স ধ ধ

কাল আন্ধাৰে আৱৰে

ধ ধ ৰে ৰে স স স ৰে প প ধ প ধ প প গ

অগনি কালিকা

স ৰে গ ৰে গ ৰে ৰে গ ম গ ৰে স ধ

দেহ্ ৰন্ধ্রে ৰন্ধ্রে চৰে

ধ ধ ৰে ৰে স স স ৰে প প ধ প ধ প প গ

অন্তৰা - (২)

বজ্র সম দৃঢ় আই

স স স ৰে গ ৰে ৰে গ গ ৰে গ ৰে স ৰে স ধ

চৌপাশৰে গড়

স স ৰে গ গ ৰে গ প গ

চৌপাশৰে গড় ভেদিম

গ স স ৰে গ ৰে ৰে গ গ (ম) গ ৰে গ ৰে স ৰে স ধ

কিঞ্চিটো নাই পৰ

স স ৰে গ ৰে গ (প) গ

আন এটি উল্লেখযোগ্য গীত ‘নতুন নিমাতী নিয়ৰৰে নিশা’ - শীৰ্ষক গীতটিত কেদাৰ ৰাগৰ বৈশিষ্ট্য উপলব্ধ হয় । কেদাৰ ৰাগৰ বৈশিষ্ট্য হ’ল - ইয়াত সা-ৰ পৰা মা লৈ স্বৰ পোনে পোনে যায়। ‘নতুন নিমাতী’ গীতটিত এনে বৈশিষ্ট্য দেখা যায়। আৰোহণ অৱৰোহনত নিৰ্দিষ্ট স্বৰ ব্যৱহাৰ হলেও গীত এটি ৰাগত বন্ধা বুলি ক’ব পৰা যায়। উল্লেখযোগ্য যে- স্বৰ চলনৰ বৈশিষ্ট্য আৰু ক্ৰম ‘নতুন নিমাতী’ গীতটিত সম্পূৰ্ণভাৱে মানি চলা নাই।

গীতটিৰ স্বৰলিপি এনেধৰণৰ -

**নতুন নিমাতী নিয়ৰৰে নিশা**

নতুন নিমাতী নিয়ৰৰে নিশা

স ম প প প ম ৰে ৰে স

জীৱন জিলিকা জোনাকৰে নিশা

স ম প প প প ম ৰে ৰে স

আৰু তুমি

স স ম গ ম ম

নিচেই চিনাকি

প ধ নি ধ প ম প ম প ধ ধ

অন্তৰা (১)

মোৰ যৌৱন

ধ নি ধ ধ স স স স স

আজি উৎচ্ছল

ধ ৰে স স স স

জলমল সৰগীত

নি স ৰে ৰে স ৰে ৰে গ

নাচে পংকজ

গ ৰে স নি ধ ধ ধ

কামনাৰ পৰাণ

নি স স ধ নি নি স

পূৰ্ণ হওঁক

নি ধ ম ম ম ম

নিশাটি

ম ম গ গ ৰে ৰে...

হাজৰিকা গীতত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পৰা প্ৰভাৱিত হৈ সৃষ্টি কৰা কেইটিমান গীতৰ স্বৰলিপিৰ তলত আলোচনা কৰা হ'ল –

- **মানুহে মানুহৰ বাবে**

মানুহে মানুহৰ বাবে যদিহে অকণো নেভাবে

স স স ৰে ম ধ ধ ধ ধ ধ স স স ৰে ম প ম প ম প

অকনি সহানুভূতিৰে ভাবিব কোনেনো কোৱা

স স স স ৰে ৰে ম ধ ধ স স প প প প প ম ম ৰে ম ম ম গ ৰে

অন্তৰা (১)

মানুহে মানুহক বেচিব খুজি মানুহে মানুহক কিনিব খুজি

স স স ৰে গ ৰে গ ম ৰে গ ৰে ৰে ৰে নি নি নি নি স ৰে গ স ৰে ৰে ৰে

পুৰণি ইতিহাস দোহাৰিলে ভুল জানো নহব কোৱা

স স স স স স ধ ধ ৰে স স স স প নি নি ধ ধ প প ম ম ম ম ম ৰে গ ৰে

অন্তৰা (২)

দুৰ্বল মানুহে যদি জীৱনৰ কোৱাল নদী

ধ ধ ধ প ম ম গ ৰে ৰে ম ম গ গ ৰে গ ৰে স

পাৰ হয় তোমাৰে সাহত তুমি হেৰুৱাবাবনো কি ?

প প প প ধ নি প নি স ধ ধ নি প ম প ধ ধ

- **<u>তোমাৰ উশাহ কহুৱা কোমল</u>**

তোমাৰ উশাহ কহুৱা কোমল শেৱালী কোমল হাঁহি

গ ৰে স গ ৰে স গ ৰে স স স প ধ প গ ৰে স স গ

হাঁহিয়ে হৃদয় ভৰিলে শুনাই এটি কিবা মিঠা বাঁহী

গ ৰে স গ ৰে স গ ৰে স স প প ধ প গ ৰে স গ ৰে

শাৰদীয় চেনেহীৰে কঁকাল ইমান লাহী

স স নি নি ম ধ প প প ধ প গ ৰে স স ৰে

অন্তৰা (১)

হঠাৎ আজি গালো মই মৰম সনা গীত

স স নি নি প নি ধ প স প ধ প প প

তাকে শুনি চেনেহীৰে উখল মাখল চিত

স স স স ৰে ৰে ৰে স স স প স প ধ প গ

বালিত নাচে আমাক জোকাই এটি সৰু বালিমহী

ম ধ ধ ধ ধ স প ধ প প ধ প ম ধ প ম প গ গ

অন্তৰা (২)

ৰুণুক জুনুক সৰা পাতৰ নিয়ৰ সৰি পৰে

স গ প স প প প ধ প গ প ধ প গ গ গ গ গ

গালে মুখে নিয়ৰ সানি ধেমালি খন কৰে

স গ প স স ৰে স ধ প গ ৰে গ ৰে ৰে স স স স

শেৱালীৰে বিচনাতে আমি দুয়ো শুলোঁ

স স স নি নি প নি নি ধ ধ প স প ধ প প

শুই শুই মেঘৰ আঁৰত শৰালি গণিলো

স স ৰে স স স প স প ধ প গ

এহাল হাহে আমাক জুকাই হঠাৎ নামি আহি

ম ধ ধ ধ ধ স প ধ প ধ প ম ধ প ম প গ

## ৪.০৩:- ভূপেন হাজৰিকাৰ গীতত পশ্চিমীয়া সংগীতৰ প্ৰভাৱ:-

ভূপেন হাজৰিকাৰ গীতত পশ্চিমীয়া সংগীতৰ প্ৰভাৱ এক গুৰুত্ব পূৰ্ণ দিশ। যদিও তেওঁ মূলতঃ অসমৰ লোকসংগীত, ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ আধাৰত গীত সৃষ্টি কৰিছিল, তথাপি পশ্চিমীয়া সংগীতৰ বহু ধাৰা তেঁওৰ সৃষ্টিত স্পষ্ট ভাৱে দেখা পোৱা যায়।

- **পশ্চিমীয়া সুৰ আৰু সংগীতৰ গঠন (Melody & Harmony) -**

ভূপেন হাজৰিকাই কেতবোৰ গীতত পশ্চিমীয়া সংগীতৰ 'Harmony' আৰু 'chord progression' ব্যৱহাৰ কৰিছে, যি ভাৰতীয় সঙ্গীতত সাধাৰণতে কম দেখা যায়।

উদাহৰণ:-

'We are in the same boat brother' - আমেৰিকাৰ নাগৰিক অধিকাৰ আন্দোলনৰ চেতনা আৰু পশ্চিমীয়া সংগীতৰ ধাৰাৰ সৈতে মিল থকা গীত। গীতটিৰ মূল ৰেকৰ্ডিংৰ chord সমূহৰ সৈতে গীতটিৰ তলত বৰ্ণনা কৰা হল –

We are in the same boat brother

G C F

If you tip one end

D F

(YOU) gona rock the other

A C F

It's the same boat brother

G C F

Verse (1)

O' Lord looked down

F G C

From his holy place

F

Said Lordly me, what asea of space

B F

What a place to lauch

C

This human race

B

So, he built him a boat for a mix up crew

F

With eyes of Black and Brown and Blue

Dm

And that's the reason you and I up just one world and just one sky

C

We are in the same boat brother

G C F

আন এটি গীত 'Ol man river' - এই গীতটি আমেৰিকা ৰ সুৰৰ পৰা অনুপ্ৰাণিত। 'বিস্তীৰ্ণ পাৰৰে' গীতটিৰ ইংৰাজী অনুবাদ 'Ol man river'.

গীতটিৰ chord সমূহ তলত উল্লেখ কৰা হ'ল –

Ol man river

G C G C

He must know something

G C

But don't say nothing

G C

He just keeps rolling he keeps on rolling along

D D D D G C G C

ইয়াৰ উপৰিও পশ্চিমীয়া সংগীতৰ সুৰ, স্বৰ সমূহৰ পৰা অনুপ্ৰাণিত হৈ সৃষ্টি হোৱা গীত সমূহ এনেধৰণৰ:

- ✓ মানুহে মানুহৰ বাবে, (আমেৰিকাৰ লোকসংগীত ‘Hang down your head Tom Dooley, Hang down your head cry’ শীৰ্ষক গীতটিৰ সুৰৰ ওপৰত আধাৰিত)
- ✓ মই এটি যাযাবৰ,
- ✓ গংগা মোৰ মা,   ইত্যাদি।

- **আধুনিক পশ্চিমীয়া সংগীতৰ বাদ্য যন্ত্ৰ -**

ভূপেন হাজৰিকাৰ গীতত আধুনিক পশ্চিমীয়া সংগীতৰ বাদ্যযন্ত্ৰৰ প্ৰভাৱ অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁলোকৰ গীতত বিশেষকৈ ১৯৫০-৭০ৰ দশকৰ পৰা পশ্চিমী সংগীতৰ কিছু বাদ্যযন্ত্ৰ, সুৰ আৰু সংগীত বিন্যাসৰ প্ৰভাৱ লক্ষ্য কৰা যায়। ভূপেন হাজৰিকাই তেওঁলোকৰ গীতত পশ্চিমীয়া বাদ্যযন্ত্ৰবোৰ যথেষ্ট সজীৱভাৱে সাঙুৰি লৈছিল।

- ➢ **গিটাৰ:** ইলেকট্ৰিক আৰু acoustic গিটাৰৰ ব্যৱহাৰ তেওঁৰ বহু গীতত শুনা যায়, যি পশ্চিমী পপ আৰু লোক সংগীতৰ পৰা আহৰণ কৰা।
- ➢ **ড্ৰামছ আৰু Bass ড্ৰাম:** তেঁওৰ বহুসংখ্যক গীতত ড্ৰাম ব্যৱহাৰ হোৱা দেখা যায়।
- ➢ **পিয়ানো আৰু কি-বোৰ্ড:** আধুনিক পিয়ানোৰ সুৰে তেওঁৰ গীতবোৰলৈ এক ধুনীয়া মেলডি যোগান ধৰিছিল।

- **সংগীতৰ বিন্যাস (Arrangement) আৰু সংযোজন (Fusion):**

ভূপেন হাজৰিকাই লোকসাংগীতিক সুৰ আৰু পশ্চিমী ক্লাছিকেল/জ্যাজ সংগীতৰ সংমিশ্ৰণ কৰিছিল। পশ্চিমী ছিনফোনিক (Symphonic) আৰ্হিৰ সংযোজন তেওঁৰ কিছু গানত (যেনে: Ol man river) বেছি গভীৰতা আনিছিল। Background chorus বা পশ্চিমী ষ্টাইলৰ ক’ৰাছ (একেলগে গীত গোৱা গায়ক-গায়িকাৰ দল) এক আধুনিকতা প্ৰদান কৰিছিল।

এই পশ্চিমীয়া প্ৰভাৱ ভূপেন হাজৰিকাৰ সংগীতক কেৱল বিশ্বজনীনতাই নহয়, ই নতুন প্ৰজন্মৰ সৈতে এটা সংগীতিক সংযোগ গঢ়ি তোলে। তথাপিও তেওঁ মূল অসমীয়াত্ব, লোক সংস্কৃতি আৰু ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ মূলত দৃঢ়ভাৱে স্থিৰ আছিল। সেইবাবে, ভূপেন হাজৰিকাৰ সংগীত হৈছে এক সাংস্কৃতিক সেতুবন্ধ—য'ত পশ্চিম আৰু পূব দুয়োকে একেলগে সংগীতত মিলিত কৰে।

সঁচাকৈয়ে, পশ্চিমীয়া সংগীতৰ প্ৰভাৱ তেওঁক বিশ্বমঞ্চত এগৰাকী সত্য সংগীতবিদ হিচাপে চিনাক্ত কৰাত সহায়ক হৈছিল।

## ৫.০০: পঞ্চম অধ্যায়

### ৫.০১: সামৰণি:-

ভূপেন হাজৰিকা অসমৰ সংগীত, সাহিত্য আৰু চিন্তাধাৰাৰ জগতত এক অবিস্মৰণীয় নাম। তেওঁৰ গীতসমূহ কেৱল সংগীত নহয়, ই এক সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চেতনাৰ প্ৰতিফলন। এই অধ্যয়নৰ জৰিয়তে দেখা গৈছে যে, হাজৰিকাৰ গীতত জাতীয়তা, আন্তঃজাতিকতা, মানুহৰ ভালপোৱা, শোষণ-বিৰোধিতা, সামাজিক সাম্য, আৰু লোকসংস্কৃতিৰ গভীৰ ছাঁ দেখা যায়।

তেওঁৰ গীতত অসমীয়া লোকসংগীতৰ আধাৰ, ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ৰাগৰ ছাঁ, আৰু আধুনিক পাশ্চাত্য সংগীতৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰে এক সৃজনশীল সংগীতজগতৰ সৃষ্টি কৰিছে। তদুপৰি, তেওঁৰ গীতবোৰে সাহিত্যিকতা, দৰ্শন আৰু গণসচেতনতাৰ এক অনন্য সংমিশ্ৰণ বহন কৰে।

এই বিশ্লেষণৰ জৰিয়তে স্পষ্ট হৈছে যে, ভূপেন হাজৰিকাৰ গীত কেৱল এটি সংগীত নহয়, ই এক আন্দোলন, এটি ভাবনা আৰু এটি যুগচেতনা। তেওঁ অক্ষয় হৈ ৰ'ব — শব্দ, সুৰ আৰু সংগীতেৰে।

## ৫.০২: গৱেষণা কৃত কৰ্মৰ ফল:-

এই গৱেষণাত দেখা গৈছে যে তেওঁৰ গীতত লোকসংগীত, ভাৰতীয় শাস্ত্ৰীয় সংগীত, আৰু পশ্চিমী সংগীতৰ সুনিপুণ মিশ্ৰণ ঘটিছে। ভাষা, ভাব, আৰু সুৰত তেওঁ যি বৈচিত্ৰ্য সৃষ্টি কৰিছে, তাৰ ফলত তেওঁৰ সংগীত সকলো যুগৰ, সকলো প্ৰজন্মৰ বাবে সজীৱ হৈ আছে। তেওঁ ৰাজনৈতিক সচেতনতা, সামাজিক ন্যায়, আন্তঃৰাষ্ট্ৰীয়তা, আৰু মানবতাৰ সঁহাৰি তেওঁৰ গীতৰ মূল হিচাপে গঢ়ি তুলিছে। ভূপেন হাজৰিকাৰ সংগীত অসমীয়া জাতিসত্তাৰ আত্মঘোষণা, আৰু তেওঁৰ গীতসমূহ জাতি-ধৰ্ম-ভাষাৰ সীমা উৰাই এখন বিশ্বজনীন সঁহাৰি লাভ কৰিছে।

এই অধ্যয়নে সূচাইছে যে ভূপেন হাজৰিকাৰ গীত কেৱল সংগীতিক সম্পদ নহয়, ই এক সমাজবোধ সম্পন্ন সাহিত্যিক দৃষ্টিভংগীও। সেয়েহে তেওঁৰ গীতৰ বিশ্লেষণ একাডেমিক তথা সাংস্কৃতিক ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ।

## পৰিশিষ্ট

❖ আলোকচিত্ৰ




ড০ ভূপেন হাজৰিকা


জন্ম : ১৯২৬ চন, ৮ ছেপ্টেম্বৰ　　　　মৃত্যু : ২০১১ চন , ৫ নৱেম্বৰ





চিৰাজ বোলছবিৰ বেটুপাত




হাজৰিকাদেৰৰ নিজ হাতেৰে লিখা অসমবাসী ৰাইজলৈ মাঘ বিহুৰ শুভেচ্ছা


এই গীতটি, আকাশবাণী গুৱাহাটীৰ অনুৰোধক্ৰমে, কেন্দ্ৰটিৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কাৰ্যসূচীৰ আৰম্ভণীতে আয়োজিত 'ড' ভূপেন হাজৰিকাৰ সৈতে এটি অন্তৰঙ্গ সন্ধিয়া'ৰ বাবে বিশেষভাৱে ৰচিত আৰু পৰিবেশিত।



ভূপেন হাজৰিকাৰ নিজ হাতৰ চিত্ৰ অংকন



ড০ হাজৰিকাদেৱৰ চহী

## তথ্য দাতা সকল:-



সূৰ্য গোস্বামী, বিশিষ্ট সংগীত শিল্পী, গুৱাহাটী



মীৰা গোস্বামী, বিশিষ্ট ব্যক্তি, গুৱাহাটী

## ❖ **গ্ৰন্থপঞ্জী**


- *দত্ত, দিলীপ কুমাৰ (১৯৯০), "ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ", প্ৰকাশক : শ্ৰী অৰুণ পুৰকায়স্থ, শ্ৰীভূমি পাবলিচিং কোম্পানী,৭৯ মহাত্মা গান্ধী ৰোড,কলিকতা ৭০০ ০০৯।*

- *হাজৰিকা, সূৰ্য (মুখ্য সম্পা) ২০১০ চন, গীতাৱলী "ড ভূপেন হাজৰিকাৰ গীত সমগ্ৰ", প্ৰকাশক: এছ এইচ, শৈক্ষিক ন্যাস,চন্দ্ৰকান্ত হাজৰিকা পথ,তৰুণ নগৰ, গুৱাহাটী – ৭৮১০০৫।*

- *হাজৰিকা, সূৰ্য (অনুলেখক)পৰিবৰ্দ্ধিত সংস্কৰণ : ২০১৩ চন, "মই এটি যাযাবৰ" (ড ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী),প্ৰকাশক : এছ এইছ শৈক্ষিক ন্যাস, চন্দ্ৰকান্ত হাজৰিকা পথ,তৰুণ নগৰ, গুৱাহাটী – ৭৮১০০৫।*

- *পাঠক, তৰণী ( প্ৰকাশক), "ড ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ", প্ৰকাশক: পাঠক প্ৰকাশনৰ হৈ, মিনিঅ'ন অফছেট প্ৰেছ শৰ্মা এণ্ড শৰ্মা মাৰ্কেট, ৰাধা গোৱিন্দ বৰুৱা পথ, গুৱাহাটী ৩।*

## ❖ তথ্য দাতাৰ তালিকা

- ✓ ***নাম :*** *সূৰ্য গোস্বামী*

  ***বয়স :*** *৭৫*

  ***বৃত্তি :*** *ভূপেন হাজৰিকাৰ সৈতে সংগত কৰা বিশিষ্ট তবলা বাদক।*

  ***প্ৰশ্নাৱলী :*** *ভূপেন হাজৰিকাৰ গীতত শাস্ত্ৰীয় সংগীত, লোকসংগীত, পশ্চিমীয়া সংগীতৰ কিদৰে সংমিশ্ৰণ ঘটিছে?*

- ✓ ***নাম :*** *মীৰা গোস্বামী*

  ***বয়স :*** *৫৬*

  ***বৃত্তি :*** *বিশিষ্ট লেখিকা, অনুবাদিক*

  ***প্ৰশ্নাৱলী :*** *ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি বৰ্তমান সময়ত সঠিকৰূপে চৰ্চা হৈছেনে?*

..............................